গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ৪ ছেপ্টেম্বৰ ২০২৬/১৭ ভাদ ১৯৪৩ শক ● দাম ৩.০০ টকা ● পঞ্চদশ বছৰ ● সংখ্যা - ২১ ● Vol - 15, Issue - 21

কাৰিকৰী বিজুতিৰ বাবে কাকতখন ১২ পৃষ্ঠাৰ সলনি ৮ পৃষ্ঠা কৰিব লগীয়া হ'ল। এই সিদ্ধান্ত ল'ব লগীয়া হোৱাৰ বাবে আমি অতিকৈ দুঃখিত।

— সম্পাদক

# মহিলাৰ সুৰক্ষাৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰতে এখন অদ্বিতীয় ৰাজ্যত পৰিণত হ'ব লাগিব ঃ মুখ্যমন্ত্ৰী

## দেৰগাঁওস্থিত লাচিত বৰফুকন পুলিচ একাডেমীত আয়োজিত অসম আৰক্ষীৰ দীক্ষান্ত সমাৰোহত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ




**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দেৰগাঁওস্থিত লাচিত বৰফুকন পুলিচ একাডেমীত আয়োজিত অসম আৰক্ষীৰ ৩২ গৰাকী উপ-আৰক্ষী অধীক্ষক আৰু যোগাযোগ শাখাৰ ৩৭১ গৰাকী কনিষ্টবলৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰে। এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰে যে ইউনিফৰ্ম পৰিহিত সেৱাৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিৰ বাবে দীক্ষান্ত সমাৰোহ হৈছে তেওঁলোকৰ জীৱনৰ অতি স্মৰণীয় মুহূৰ্ত। জীৱনৰ শেষ দিনটোলৈকে ইউনিফৰ্ম পৰিধান কৰা ব্যক্তিসকলে এনে সমাৰোহৰ গৌৰৱময় ক্ষণটো সোঁৱৰণ কৰে। সৰ্বমুঠ ৪০৩ গৰাকী নৱ প্ৰশিক্ষিত বিষয়া আৰু জোৱানে এই দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰে উপ-আৰক্ষী অধীক্ষকসকলে সফলতাৰে ৫২ সপ্তাহৰ বুনিয়াদী প্ৰশিক্ষণ সম্পূৰ্ণ কৰিছে। এই প্ৰশিক্ষণকালত উপ-আৰক্ষী অধীক্ষকসকলে লাচিত বৰফুকন পুলিচ একাডেমীত দুসপ্তাহৰ 'অৰিয়েণ্টেশ্যন' আৰু মেঘালয়ৰ 'নেপা'ত দুমাহৰ প্ৰশিক্ষণতো অংশগ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰশিক্ষণকালত তেওঁলোকে ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ভাৰতীয় সাক্ষ্য অধিনিয়ম, পকচো আইন, অস্ত্ৰ আইন, এনডিপিএছ, চাইবাৰ অপৰাধ, ফৰেনছিক বিজ্ঞান আৰু শিশু সুৰক্ষাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ত জ্ঞান অৰ্জন কৰিছে। তদুপৰি তেওঁলোকে অসম ৭ পৃষ্ঠাত

# সু-সাহিত্যিক তথা আদৰ্শ মাতৃ বঁটাৰে বিভূষিত মৃণালিনী দেৱীক 'বাণী বিভূতি' বঁটা আৰু বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ ড° বাবুল চন্দ্ৰ দাসক 'বৈষ্ণৱ বৈভৱ' সন্মানেৰে সন্মানিত



**ৰমেন ভৰালী, বংশৰ ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ দ্বাৰা আচাৰ্য উমাকান্ত দেৱ শৰ্মা ফাউণ্ডেচন আৰু বিএপিএছ স্বামী নাৰায়ণ অনুসন্ধান প্ৰতিষ্ঠানৰ যুটীয়া উদ্যোগত দুদিনীয়া সংস্কৃত দিৱস মহোৎসৱৰ সফল আয়োজন কৰা হয়। সংস্কৃত বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা ২ পৃষ্ঠাত

# জালুকবাৰীৰ সমন্বয় তীৰ্থত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠান

## সমন্বয় তীৰ্থ পৰিদৰ্শন সাংস্কৃতিক মন্ত্ৰী বিমল বড়াৰ



**গুৱাহাটী ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ উপলক্ষে অহা ৮ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব লগা বিভিন্ন কাৰ্যসূচীৰ সন্দৰ্ভত বুজ লোৱাৰ বাবে ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বড়াই জালুকবাৰী ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থ পৰিদৰ্শন কৰে। ইয়াৰ পূৰ্বে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অতিৰিক্ত মুখ্য সচিব ড° বি কল্যাণ চক্ৰৱৰ্তী, যুটীয়া সচিব প্ৰশান্ত বৰুৱা, সঞ্চালক ৰাহুল চন্দ্ৰ দাস, লোক নিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তা মহেন্দ্ৰ দাস, কটন বিশ্ব বিদ্যালয়ৰ উপাচাৰ্য ড° আৰ চি ডেকা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° উৎপল শৰ্মা, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰ, ড° ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ বিষয়ববীয়া আদিৰ উপস্থিতিত ৮ ছেপ্টেম্বৰত অনুষ্ঠিতব্য সাংস্কৃতিক অনুষ্ঠান সমূহৰ বিষয়ে আলোচনা কৰে। উল্লেখযোগ্য যে সমন্বয় তীৰ্থত সুধাকণ্ঠৰ জন্ম দিৱসৰ কাৰ্যসূচীত এশ গৰাকী শিল্পীয়ে পৰিৱেশন কৰিব 'বিস্তীৰ্ণ পাৰৰে.. ' শীৰ্ষক গীতটি। সেই অনুষ্ঠানতে বিশ্ব বৰেণ্য শিল্পী গৰাকীৰ জীৱন পৰিক্ৰমাৰ ওপৰত নিৰ্মাণ কৰা তথ্য চিত্ৰ এখনো প্ৰদৰ্শিত হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ চৌহদত নিৰ্মাণ ২ পৃষ্ঠাত

# বোকাখাতত বিধ্বংসী অগ্নিকাণ্ড ঃ কেইবাকোটি টকাৰ সম্পত্তি ভস্মীভূত

**মৃদুস্মিতা শৰ্মা, বোকাখাত ঃ** বোকাখাতত এক বিধ্বংসী অগ্নিকাণ্ডত কেইবাখনো দোকান ভস্মীভূত হোৱাৰ লগতে কেইবা কোটি টকাৰ মূল্যৰ সামগ্ৰী জাহ যায়। জানিব পৰা মতে পুৱা ১০ মান বজাত বোকাখাতৰ অসম ৰাজ্যিক পৰিবহণ নিগম বাচ আস্থানৰ গাতে লাগি থকা বোকাখাত পৌৰসভাৰ অন্তৰ্গত ৪ নং ৱাৰ্ডস্থিত প্ৰতিষ্ঠিত হোল চেল প্ৰতিষ্ঠান 'চাৰিকা ষ্টোৰ'ৰ পৰা সংঘটিত হয় এই অগ্নিকাণ্ডৰ। প্ৰতিষ্ঠানখনৰ গাতে লাগি থকা আন আন দোকানলৈও জুই সম্প্ৰসাৰিত হৈ চাৰিটা ষ্টোৰ সম্পূৰ্ণৰূপে জাহ যোৱাৰ লগতে অগ্নি বিধ্বস্ত হয় আটাইকেইখন প্ৰতিষ্ঠান। উল্লেখযোগ্য যে এই দোকানখনত হোৱা জুইৰ সূত্ৰপাতে ক্ষতি কৰা আন আন প্ৰতিষ্ঠান সমূহৰ ভিতৰত শ্যাম ষ্টৰ, নীলকণ্ঠ




নামৰ ব্যৱসায়ী প্ৰতিষ্ঠানও সম্পূৰ্ণ ভস্মীভূত কৰাৰ লগতে প্ৰেৰণা নামৰ দোকানখনৰো আংশিক ক্ষতি কৰিছে। অগ্নিকাণ্ডৰ সূত্ৰপাত বিদ্যুৎ শ্বট চাৰ্কিটৰ ফলতে হোৱা বুলি সন্দেহ কৰা হৈছে যদিও বৰ্তমানো অগ্নিকাণ্ডৰ সঠিক কাৰণ নিৰ্ণয় কৰিব পৰা হোৱা নাই। চাৰিকা ষ্টোৰ ফটকাৰ হোল চেল প্ৰতিষ্ঠান হোৱাৰ বাবে প্ৰতিষ্ঠানখনৰ গুদামত মজুত থকা বহুসংখ্যক ফটকাত জুই লাগি জুয়ে লেলিহান ৰূপ ধাৰণ কৰে। আগন্তুক দীপাৱলীৰ বাবে প্ৰতিষ্ঠানখনত শেহতীয়া ফটকা-আতচবাজীৰ হোল চেল ভাণ্ডাৰো মজুত আছিল বুলি জানিব পৰা গৈছে। তাৎপৰ্যপূৰ্ণভাৱে প্ৰতিষ্ঠানখনৰ পিছফালে যথেষ্ট সংখ্যক ৰন্ধন গেছ চিলিণ্ডাৰ মজুত ৰখা গুদাম আছিল আৰু এই গুদামলৈ ৭ পৃষ্ঠাত

# মানাহত বেঁকী পৰীয়া শাখা সাহিত্য সভা গঠন

## শ্যামল পালক সভাপতি, ইয়াৰফুল ইছলামক সাধাৰণ সম্পাদক হিচাপে দায়িত্ব




**খাইৰুল ইছলাম, শালবাৰী ঃ** অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সংৰক্ষণ, প্ৰচাৰ আৰু উন্নতি সাধনৰ মহান উদ্দেশ্য আগত ৰাখি অসম সাহিত্য সভাৰ অন্তৰ্গত মানাহৰ স্মাইলিং টাছকাৰ ইলিফেন্ট কেম্পত শ্যামল পালৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত বেঁকী পৰীয়া শাখা সাহিত্য সভা গঠন কৰা হয়। ভাষা-সাহিত্যৰ বিকাশৰ লগতে নতুন প্ৰজন্মক অসমীয়া ভাষা আৰু সাহিত্যৰ সৈতে অধিক নিবিড়ভাৱে সংযুক্ত কৰাৰ লক্ষ্যৰে এই নতুন সমিতিখন গঠন কৰা হয়। নৱগঠিত শাখা সাহিত্য সভাখনৰ সভাপতি হিচাপে শ্যামল পাল, জিয়াউৰ ৰহমানক উপ- সভাপতি, ইয়াৰফুল ইছলামক সম্পাদক, হিমাংশু অধিকাৰীক সহকাৰী সম্পাদক, নজৰুল আলীক সাংগঠনিক সম্পাদক, জাহিদুল ইছলামক পত্ৰিকা সম্পাদক, জাহিদুল ইছলামক গ্ৰন্থ প্ৰশাসনক আৰু ছুৰহাব আলীক ধন ভৰালী হিচাপে লৈ মুঠ ২১ জনীয়া বেঁকী পৰীয়া শাখা সাহিত্য সভা গঠন কৰে। স্থানীয় ভাষাপ্ৰেমী, সাহিত্যসেৱী সাংবাদিক, শিক্ষক সমাজ আৰু সচেতন ব্যক্তিসকলৰ সহযোগিতাত গঠিত এই সমিতিয়ে অঞ্চলটোত অসমীয়া ভাষা আৰু সাহিত্যৰ চৰ্চাক অধিক গতিশীল কৰি তুলিব বুলি আশা প্ৰকাশ কৰা হৈছে। সমিতি গঠনৰ মূল উদ্দেশ্য হৈছে অসমীয়া ভাষাৰ শুদ্ধ ব্যৱহাৰ আৰু প্ৰচাৰ, সাহিত্যচৰ্চাৰ অনুকূল পৰিৱেশ সৃষ্টি, নৱপ্ৰজন্মৰ মাজত পঢ়াৰ অভ্যাস গঢ়ি তোলা তথা অঞ্চলটোৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনক অধিক সমৃদ্ধ কৰা। ইয়াৰ উপৰি বিভিন্ন সাহিত্যিক অনুষ্ঠান, আলোচনা চক্ৰ, কবিতা আবৃত্তি, গল্প-কবিতা পাঠ, গ্ৰন্থ আলোচনা আৰু সাংস্কৃতিক কাৰ্যসূচীৰ জৰিয়তে সমাজৰ বিভিন্ন স্তৰৰ লোকক সাহিত্যৰ সৈতে জড়িত কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা হ'ব বুলি জানিব পৰা গৈছে। বিশেষকৈ বৰ্তমান সময়ত মাতৃভাষাৰ প্ৰতি নতুন প্ৰজন্মৰ আগ্ৰহ বৃদ্ধি কৰাটো অতি প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰিছে সাহিত্যপ্ৰেমীসকলে। ডিজিটেল যুগত অসমীয়া ভাষাৰ সঠিক ব্যৱহাৰ, সাহিত্যৰ প্ৰতি আগ্ৰহ সৃষ্টি আৰু নিজস্ব ভাষা-সংস্কৃতিৰ ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰত শাখা সাহিত্য সভাখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। নৱনিযুক্ত সভাপতি শ্যামল পাল আৰু সাধাৰণ সম্পাদক ইয়াৰফুল ইছলামৰ নেতৃত্বত শাখা সাহিত্য সভাখনে ভাষা-সাহিত্যৰ উন্নয়নৰ স্বাৰ্থত সকলোকে একত্ৰিত কৰি আগবাঢ়ি যোৱাৰ সংকল্প গ্ৰহণ কৰিছে। অঞ্চলটোৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু যুৱ সমাজক সাহিত্যচৰ্চাৰ প্ৰতি উৎসাহিত কৰাৰ ক্ষেত্ৰতো সমিতিখনে বিশেষ পদক্ষেপ ল'ব বুলি আশা কৰা হৈছে। মানাহত বেঁকী পৰীয়া শাখা সাহিত্য সভাৰ গঠনক স্থানীয় সাহিত্যপ্ৰেমী আৰু সচেতন মহলে আদৰণি জনাইছে। সংশ্লিষ্টসকলৰ মতে, সঠিক পৰিকল্পনা আৰু সৰ্বস্তৰৰ ৰাইজৰ সহযোগিতা লাভ কৰিলে এই নতুন শাখা সাহিত্য সভাই আগন্তুক দিনত অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতি সাধনত এক উল্লেখযোগ্য ভূমিকা পালন কৰিবলৈ সক্ষম হ'ব।

# ৰাইদঙীয়াত আন্তঃৰাষ্ট্ৰীয় কাৰাটেত পদক প্ৰাপ্ত ছায়ামনি ভূএঞাক সম্বৰ্ধনা



**জয়ন্ত মুদৈ, নগাঁও ঃ** ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰ নেপালৰ জাপাৰ কাকৰভিটাত যোৱা ২২ আৰু ২৩ আগষ্টত অনুষ্ঠিত হৈ যোৱা দ্বাদশ বাৰ্ষিক ইণ্ডো-নেপাল প্ৰেচিডেণ্ট কাপ কাৰাটে চেম্পিয়নশ্বিপ-২০২৬ত সোনসহ দুটাকৈ পদক লাভ কৰা নগাঁও জিলাৰ ৰাইদঙীয়াৰ প্ৰতিভাৱান কনমানি খেলুৱৈ ছায়ামনি ভূএঞাক শনিবাৰে ৰাইদঙীয়া ৰাজহুৱা মঞ্চত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। আচলতে, ৰাইদঙীয়াৰ ৰজাগাঁৱৰ নিৱাসী সাত বছৰীয়া উদিয়মান কাৰাটেকাৰ ছায়ামনিয়ে আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত প্ৰদৰ্শন কৰা ঈষণীয় সফলতাৰ হেতু মাৰাটেকা চিট'ৰিউ কাৰাটে সংস্থাৰ নগাঁও জিলা সমিতিৰ তৰফৰ পৰা কনমানি খেলুৱৈ গৰাকীক উৎসাহিত কৰাৰ উদ্দেশ্যে এইদৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই মৰ্মে, অনুষ্ঠিত হোৱা সম্বৰ্ধনা অনুষ্ঠানটিত প্ৰতিভাৱান খেলুৱৈগৰাকীক ফুলাম গামোচা, ফুলৰ থোপা আৰু অভিনন্দন পত্ৰৰে সম্বৰ্ধনা জনোৱাৰ লগতে উজ্বল ভৱিষ্যতৰ কামনাৰে শুভাশীষ প্ৰদান কৰা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মাৰাটেকা চিট'ৰিউ কাৰাটে সংস্থাৰ নগাঁও জিলাৰ মুখ্য প্ৰশিক্ষক ৰিকু কটকী, বিশিষ্ট সমাজকৰ্মী গৌতম কুমাৰ বৰা, ৰাইদঙীয়া শংকৰদেৱ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী নিভামনি বৰা, সমাজসেৱী শৰৎ ৰাজা, ৰুনমনি বৰা, দীপামনি বৰাকে প্ৰমুখ্য কৰি বহুকেইজন ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে, নেপাল চিট'ৰিউ কাৰাটে স্কুলৰ ব্যৱস্থাপনাত আয়োজিত উক্ত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰেচিডেণ্ট কাপ কাৰাটে চেম্পিয়নশ্বিপত ছায়ামনি ভূএঞাই সুদক্ষ ক্ৰীড়া প্ৰদৰ্শনেৰে ছোৱালীৰ সাত বছৰ শাখাৰ কাটাত সোন আৰু বিছ কেজি শাখাৰ কুমিটেত ব্ৰঞ্জৰ পদক অৰ্জনেৰে নগাঁৱৰ লগতে সমগ্ৰ ৰাজ্যবাসীক গৌৰৱান্বিত কৰিবলৈ সক্ষম হয়।

*প্ৰথম পৃষ্ঠাৰ পৰা*

## সু-সাহিত্যিক তথা আদৰ্শ মাতৃ বঁটাৰে বিভূষিত মৃণালিনী দেৱীক 'বাণী বিভূতি' বঁটা আৰু বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ ডঃ বাবুল চন্দ্ৰ দাসক 'বৈষ্ণৱ বৈভৱ' সন্মানেৰে সন্মানিত

সৰস্বতী বন্দনা আৰু আদৰণী গীতেৰে অনুষ্ঠানৰ শুভাৰম্ভ হয়। অনুষ্ঠানটো পৰিচালনা কৰে বিভাগৰ গৱেষক ছাত্ৰী হিয়াশ্ৰী ৰায়ে। অনুষ্ঠানত বিভাগৰ মুৰব্বী অধ্যাপক কামেশ্বৰ শুক্লাই আদৰণী ভাষণ প্ৰদান কৰি শ্ৰাৱণী পূৰ্ণিমাৰ দিনা প্ৰতি বছৰে অনুষ্ঠিত বিশ্ব সংস্কৃত দিৱস আৰু সংস্কৃত সপ্তাহ উদ্‌যাপনৰ ইতিহাস তথা বছৰ বছৰ ধৰি চলি অহা এই গৌৰৱময় পৰম্পৰাৰ বিষয়ে বিস্তৃতভাৱে আলোকপাত কৰে। মহোৎসৱৰ প্ৰধান অংশ হিচাপে হাইস্কুল, উচ্চতৰ মাধ্যমিক বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু গৱেষকসকলৰ বাবে পৃথক পৃথকভাৱে ৰাজ্যিক পৰ্যায়ৰ সংস্কৃত শ্লোকাবৃত্তি আৰু সংস্কৃত বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত বিজয়ী প্ৰতিযোগীসকলক নগদ ধন, প্ৰমাণ-পত্ৰ, উত্তৰীয় আৰু স্মাৰক প্ৰদান কৰি পুৰস্কৃত কৰা হয়। এই উপলক্ষে ৩০ আগষ্টত আচাৰ্য উমাকান্ত দেৱ শৰ্মা ফাউণ্ডেচনৰ তৰফৰ পৰা অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি তথা অখিল ভাৰতীয় সাহিত্য পৰিষদৰ সভানেত্ৰী, সু-সাহিত্যিক তথা আদৰ্শ মাতৃ বঁটাৰে বিভূষিত মৃণালিনী দেৱীক 'বাণী বিভূতি' আৰু বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ ডঃ বাবুল চন্দ্ৰ দাসক 'বৈষ্ণৱ বৈভৱ' সন্মানেৰে সন্মানিত কৰা হয়। সন্মানীয় অতিথি বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ ডঃ বাবুল চন্দ্ৰ দাস, বিশিষ্ট অতিথি হিচাপে অখিল ভাৰতীয় সাহিত্য পৰিষদৰ সভানেত্ৰী তথা সু-সাহিত্যিক মৃণালিনী দেৱী, অসম বিধানসভাৰ সচিব ৰাজীৱ ভট্টাচাৰ্য আৰু উমাকান্ত দেৱ শৰ্মা ফাউণ্ডেচনৰ সচিব জ্যোতিৰ্ময় শৰ্মায়ো সভাত ভাষণ প্ৰদান কৰে। শেষত বিভাগীয় অধ্যাপক ডঃ জগদীশ শৰ্মাই আগবঢ়োৱা শলাগৰ শৰাইৰে অনুষ্ঠানৰ সামৰণি পৰে।

## জালুকবাৰীৰ সমন্বয় তীৰ্থত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী

কৰিব লগা ভূপেন হাজৰিকা সংগ্ৰহালয়ৰ আধাৰশিলা স্থাপন কাৰ্যও সমন্বয় তীৰ্থৰ পৰাই কৰিব। অনুষ্ঠানত মুকলি সভাৰ পিছতে সাংস্কৃতিক সঞ্চালকালয়ে বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰ ব্যৱস্থা কৰিছে। একেদিনাই শ্ৰীমন্ত শংকৰদেৱ কলা ক্ষেত্ৰত ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে ১০০খন পতাকা উত্তোলন কৰাৰ লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানো পৰিৱেশনৰ ব্যৱস্থা কৰিছে। জালুকবাৰীত সিদিনা গুৱাহাটী বিশ্ববিদ্যালয়, ডঃ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিশন প্ৰতিষ্ঠান, অসম চাৰু কাৰু কলা মহাবিদ্যালয়েও নিজস্ব সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব। বিষয়া সকলৰে আলোচনাৰ সময়ত অসমৰ বিভিন্ন স্থানত থকা সুধাকণ্ঠৰ প্ৰতিমূৰ্তি সমূহ পৰিষ্কাৰ কৰাৰ বাবে জিলা আয়ুক্ত সকলৰ জৰিয়তে ব্যৱস্থা গ্ৰহণৰ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। জন্ম দিৱসৰ দিনা ৰাজ্যৰ বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সুধাকণ্ঠৰ গীত পৰিৱেশনৰ ব্যৱস্থা কৰাৰ কথাও সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অতিৰিক্ত মুখ্য সচিব ডঃ বি কল্যাণ চক্ৰৱৰ্তীয়ে জানিবলৈ দিয়ে।

# শিৱসাগৰ ছোৱালী কলেজত দুবছৰীয়া M.Sc. in Geoinformatics পাঠ্যক্ৰমৰ শুভাৰম্ভ




**দীপ জ্যোতি কাকতি, কালুগাঁও ঃ** উজনি অসমৰ উচ্চশিক্ষাৰ ক্ষেত্ৰত এক নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি যোৱা ২৭ আগষ্ট তাৰিখে শিৱসাগৰ ছোৱালী কলেজত দুবছৰীয়া 'M.Sc. in Geoinformatics' পাঠ্যক্ৰমৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। মহাবিদ্যালয়খনৰ ভূগোল বিভাগৰ উদ্যোগত আধুনিক প্ৰযুক্তি নিৰ্ভৰ আৰু বৃত্তিমুখী শিক্ষাৰ প্ৰসাৰৰ লক্ষ্যৰে এই সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰা হৈছে। ভূগোল বিষয়ৰ সৈতে আধুনিক ভূ-স্থানিক প্ৰযুক্তিৰ সংযোগ ঘটোৱা এই দুবছৰীয়া পাঠ্যক্ৰমৰ জৰিয়তে শিক্ষাৰ্থীসকলে প্ৰথম বৰ্ষৰ অন্তত 'PG Diploma in Geoinformatics' লাভ কৰাৰ সুবিধাও পাব। এই পাঠ্যক্ৰমত মূলতঃ Geographical Information System (GIS), Remote Sensing, Geospatial Technology, Drone Technology, আৰু LiDAR আদিৰ তাত্ত্বিক তথা ব্যৱহাৰিক জ্ঞান প্ৰদানৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। পাঠ্যক্ৰমটোৰ সফল আৰু ফলপ্ৰসূ ৰূপায়ণৰ বাবে নতুন দিল্লীৰ 'NETRA Institute of Geoinformatics Management and Technology Foundation' (NIGMT)-ৰ সৈতে মহাবিদ্যালয় কৰ্তৃপক্ষই এখন বুজাবুজিৰ চুক্তি (MoU) সম্পাদন কৰিছে। ইয়াৰ উপৰি লক্ষ্ণৌৰ 'নেশ্যনেল পি জি কলেজ' নামৰ 'এ' গ্ৰেডপ্ৰাপ্ত স্বায়ত্বশাসিত মহাবিদ্যালয়খনো সহযোগী প্ৰতিষ্ঠান হিচাপে জড়িত হৈছে। উদ্যোগটোৰ সৈতে জড়িতসকলে জনোৱা মতে, ইতিমধ্যে ২৫ গৰাকী ছাত্ৰীয়ে নামভৰ্তি কৰা এই পাঠ্যক্ৰমৰ জৰিয়তে ১০০ শতাংশ কৰ্মসংস্থাপনৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই শুভাৰম্ভণি অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মহাবিদ্যালয়খনত ২৭ ৰ পৰা ২৯ আগষ্টলৈ "Future Road Map of Geoinformatics" শীৰ্ষক এখন তিনিদিনীয়া প্ৰশিক্ষণ শিবিৰৰো আয়োজন কৰা হৈছে। ২৭ আগষ্ট তাৰিখে অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত নতুন পাঠ্যক্ৰমটো আনুষ্ঠানিকভাৱে মুকলি কৰে মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ কিৰণ বৰুৱাই। আনহাতে, প্ৰশিক্ষণ শিবিৰটো উদ্বোধন কৰে অৱসৰী অধ্যাপক ফণীন্দ্ৰ চন্দ্ৰ মাউতে। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ প্ৰতিম শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত ভূগোল বিভাগৰ মুৰব্বী ডঃ মেদিনী হাজৰিকাই পাঠ্যক্ৰম আৰু প্ৰশিক্ষণ শিবিৰৰ উদ্দেশ্য আৰু গুৰুত্ব ৰাখ্যা কৰে। অধ্যাপক সঞ্জয় দাসে আঁত ধৰা অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ ডঃ হেমন্ত কুমাৰ ফুকন, বৰ্তমানৰ উপাধ্যক্ষ গৌৰিকা দেৱী, শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ গজেন কাকতি, অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰজেক্ট ছাইণ্টিষ্ট অডিচি শইকীয়া, শিৱসাগৰ বিশ্ববিদ্যালয়ৰ ডঃ স্বপ্নিল হাজৰিকা আৰু ডঃ ৰছিমা কছাৰী, তথা NIGMT-ৰ সমল ব্যক্তি ডঃ ৰবীন্দ্ৰ তিৱাৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটোত শিৱসাগৰ আৰু যোৰহাট জিলাৰ প্ৰায় ১৫০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। বৰ্তমান সময়ত কৃষি, পৰিৱেশ, নগৰ পৰিকল্পনা, দুৰ্যোগ ব্যৱস্থাপনা, আৰু আন্তঃগাঁথনি উন্নয়নৰ দৰে বিভিন্ন ক্ষেত্ৰত ভূ-স্থানিক প্ৰযুক্তিৰ ব্যৱহাৰ দ্ৰুতগতিত বৃদ্ধি পাইছে। এনে প্ৰেক্ষাপটত শিৱসাগৰ ছোৱালী কলেজৰ ভূগোল বিভাগৰ এই দীৰ্ঘদিনীয়া প্ৰচেষ্টাই উজনি অসমৰ শিক্ষাৰ্থীসকলক নিজ অঞ্চলতে আধুনিক দক্ষতা আৰু নিয়োগমুখী শিক্ষা আহৰণৰ এক সোণালী সুযোগ প্ৰদান কৰিলে বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।

# ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকালৈ জন্ম শতবাৰ্ষিকীত প্ৰণাম

### ৮ চেপ্তেম্বৰত ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে

**ৰমেন ভৰালী, বংশৰ ঃ** ভাৰতৰ সাংস্কৃতিক আকাশৰ উজ্বল নক্ষত্ৰ, লুইতৰ বোকোচাত জন্ম লৈ বিশ্বৰ বুকুত অসমৰ নাম জিলিকাই তোলা মহান শিল্পীজনেই হ'ল ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকা। ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত জন্ম গ্ৰহণ কৰা এই মহান শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকী ৮ ছেপ্টেম্বৰ ২০২৫ ৰ পৰা ৮ ছেপ্টেম্বৰ ২০২৬ লৈ বৰ্ষজোৰা কাৰ্যসূচীৰে দেশ-বিদেশত উদযাপন কৰা হৈছে। এই শতবাৰ্ষিকী কেৱল এজন শিল্পীৰ জন্মদিন নহয়, ই হৈছে মানৱতা, সমন্বয় আৰু বিশ্ব-ভাতৃত্বৰ জয়গান উদযাপন। ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম হৈছিল শদিয়াত। পিতৃ নীলকান্ত হাজৰিকা আৰু মাতৃ শান্তিপ্ৰিয়া হাজৰিকাৰ দহটি সন্তানৰ ভিতৰত তেওঁ আছিল জ্যেষ্ঠ। মাতৃৰ কোলাতে তেওঁ বৰগীত, বিহু, টোকাৰী গীত আৰু লোকগীতৰ প্ৰাথমিক শিক্ষা লাভ কৰিছিল। মাত্ৰ ১০ বছৰ বয়সতে ১৯৩৬ চনত কলকাতাৰ আকাশবাণীৰ পৰা 'কুসুম্বৰ' আৰু তেজপুৰত অনুষ্ঠিত অসমীয়া সাহিত্য সভাৰ অধিৱেশনত গীত পৰিৱেশন কৰি অসমৰ প্ৰথম শিশু শিল্পী হিচাপে পৰিচয় লাভ কৰিছিল। সৰুৰে পৰাই তেওঁৰ কণ্ঠত আছিল ব্ৰহ্মপুত্ৰৰ বিশালতা আৰু লুইতৰ গভীৰতা। ভাৰত ৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা কেৱল কণ্ঠশিল্পী নাছিল, তেওঁ আছিল এগৰাকী উচ্চ শিক্ষিত মনীষী। তেওঁ গুৱাহাটীৰ কটন কলেজৰ পৰা ইণ্টাৰমিডিয়েট, বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানত স্নাতকোত্তৰ আৰু আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা "Mass Communication" বিষয়ত Ph.D. ডিগ্ৰী অৰ্জন কৰিছিল। তেওঁৰ গৱেষণাৰ বিষয় আছিল - ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰেক্ষাপটত গণ-সংযোগৰ ভূমিকা। আমেৰিকাত থাকোঁতেই তেওঁ পল ৰবছনৰ দৰে বিশ্ববিখ্যাত কৃষ্ণাংগ শিল্পীৰ সান্নিধ্য লাভ কৰে, যাৰ প্ৰভাৱত তেওঁৰ গীতত মানৱ মুক্তিৰ সপোন আৰু শোষিতৰ কণ্ঠ ধ্বনিত হৈ উঠিছিল। বিশ্ব ৰত্ন, সুধাকণ্ঠ ড° হাজৰিকাৰ সৃষ্টিশীল কৰ্মৰাজি এক বিশাল সমুদ্ৰৰ দৰে। তেওঁ একেধাৰে গায়ক, গীতিকাৰ, সুৰকাৰ আছিল। তেওঁ প্ৰায় ১৫০০ ৰো অধিক গীত ৰচনা কৰিছিল। তেওঁৰ অমৰ গীতসমূহ - 'মানুহে মানুহৰ বাবে', 'বিস্তীৰ্ণ পাৰেৰে অসংখ্য জনৰে', 'গংগা মোৰ মা', 'মই এযাযাবৰ', 'বিমূৰ্ত মোৰ নিশাটি', 'দোলা হে দোলা', 'আমি অসমীয়া নহওঁ দুখীয়া' আদিত বিশ্ব মানৱতাৰ বাণী আছে। তেওঁ ব্ৰহ্মপুত্ৰক মা বুলি কৈছিল, গংগাকো মা বুলি কৈছিল, মিচিছিপিকো মা বুলিয়েই আকোঁৱালি লৈছিল। তেওঁৰ বাবে গোটেই পৃথিৱীখনেই এখন ঘৰ আছিল। তেওঁৰ গীত অসমীয়া, বাংলা, হিন্দীকে ধৰি বহু ভাষাত অনূদিত হৈছে। তেওঁ আছিল ভাৰতৰ এগৰাকী শ্ৰেষ্ঠ চলচ্চিত্ৰ পৰিচালক। তেওঁ 'এৰা বাটৰ সুৰ' (১৯৫৬), 'শকুন্তলা' (১৯৬০), 'প্ৰতিধ্বনি' (১৯৬৪), 'লটিঘটি' (১৯৬৬), 'চিকমিক বিজুলী' (১৯৬৯), 'মন-প্ৰাণ', 'চামেলি মেমচাহাব' আদি ছবি পৰিচালনা কৰি ৰাষ্ট্ৰীয় বঁটা লাভ কৰে। তেওঁৰ ছবিয়ে অসমৰ চাহ বাগিচাৰ বনুৱা, নদীৰ বানপানীত সৰ্বস্ব হেৰুওৱা খেতিয়কৰ জীৱনক ৰূপালী পৰ্দাত জীয়াই তুলিছিল। সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আছিল সু-লেখক, সাংবাদিক। তেওঁ অসমৰ জনজাতীয় লোকগীত - বড়ো, মিচিং, কাৰ্বি, ৰাভা, কোচ-ৰাজবংশীৰ সুৰক আধুনিক ৰূপ দি ৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ গৈছিল। তেওঁৰ 'বোলে কি এই পাহাৰ ভৈয়াম' গীতটোৱে অসমৰ সাতামপুৰুষীয়া জাতীয় সমন্বয়ৰ মূলমন্ত্ৰ। তেওঁ অসম সাহিত্য সভাৰ সভাপতি, সংগীত নাটক একাডেমীৰ সভাপতি হিচাপেও জাতীয় জীৱনক নেতৃত্ব দিছিল। তেওঁৰ সৃষ্টিৰ বাবে ভাৰত চৰকাৰে তেওঁক পদ্মশ্ৰী (১৯৭৭), পদ্মভূষণ (২০০১), পদ্মবিভূষণ (২০১১), দাদা চাহেব ফাল্কে বঁটা (১৯৯২) আৰু ২০০৯ চনত অসম ৰত্ন প্ৰদান কৰিছিল। ২০১৯ চনত তেওঁক মৰণোত্তৰভাৱে ভাৰতৰ সৰ্বোচ্চ নাগৰিক সন্মান ভাৰত ৰত্ন প্ৰদান কৰে। ২০১১ চনৰ ৫ নৱেম্বৰত এই মহান শিল্পীগৰাকীয়ে আমাৰ মাজৰ পৰা বিদায় লয় যদিও তেওঁৰ কণ্ঠ আজিও গোটেই বিশ্বজুৰি বৈ আছে। তেওঁৰ সমাধিৰ ওপৰত লিখা আছে - 'মই অসমক ইমানেই ভাল পাওঁ'।



শতবাৰ্ষিকীৰ এই ক্ষণত তেওঁৰ গীতৰ মূলমন্ত্ৰ - 'মানুহে মানুহৰ বাবে যদিহে অকণো নাভাবে, অকণি সহানুভূতিৰে ভাবিব কোনেনো কোৱা' - আজিৰ বিভাজিত সমাজত আৰু অধিক প্ৰাসংগিক। ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকা কেৱল অসমৰ নহয়, তেওঁ বিশ্বৰ। তেওঁ আমাক শিকাই থৈ গ'ল - শিল্পৰ কোনো সীমা নাই, ভাষাৰ কোনো বেৰ নাই। ব্ৰহ্মপুত্ৰৰ পাৰৰ পৰা আৰম্ভ কৰি তেওঁৰ সুৰ মিচিছিপি, ভল্গা নদীলৈকে বৈ গ'ল। শতবৰ্ষত তেওঁলৈ আমাৰ শতকোটি প্ৰণাম।

# ১৩ ছেপ্টেম্বৰত শ্ৰীমন্ত গ্ৰাহক সমবায় ভাণ্ডাৰ লিমিটেডৰ বাৰ্ষিক সাধাৰণ সভা

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** পশ্চিম শুৱালকুছি গাঁও পঞ্চায়তৰ অন্তৰ্গত শ্ৰীমন্ত গ্ৰাহক সমবায় ভাণ্ডাৰ লিমিটেডৰ ২০২৫-২০২৬ বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভা ১৩ ছেপ্তেম্বৰত আহ্বান কৰা হৈছে। সেইদিনা আবেলি তিনি বজাৰ পৰা স্থানীয় কাঞ্চন নগৰস্থিত যুৱৰাজ বিবাহ ভৱনত অনুষ্ঠিতব্য সভাত পৌৰোহিত্য কৰিব শ্ৰীমন্ত গ্ৰাহক সমবায় ভাণ্ডাৰ লিমিটেডৰ সভাপতি ভৱেশ চন্দ্ৰ দাসে। তদুপলক্ষে প্ৰকাশিত কাৰ্যসূচী অনুসৰি উক্ত দিনা সভাপতিয়ে আসন গ্ৰহণ কৰাৰ পাছতেই বিগত সাধাৰণ সভাৰ কাৰ্যবিৱৰণী পাঠ আৰু গ্ৰহণ কৰা হ'ব। তাৰ পাছত সম্পাদকীয় প্ৰতিবেদন পাঠ কৰিব সম্পাদকে। পৰৱৰ্তী কাৰ্যসূচী মতে সভাত বিগত ২০২৪- ২০২৫ বৰ্ষৰ চৰকাৰী হিচাপৰ শুনানি পঠিত হোৱাৰ পাছত অংশীদাৰ সদস্যসকলৰ সন্মতি সাপেক্ষে গ্ৰহণ কৰা হ'ব। তাৰ পাছতেই হ'ব ২০২৫- ২০২৬ বৰ্ষৰ আভ্যন্তৰীণ হিচাপ পৰীক্ষকৰ হিচাপ শুনানি আৰু গ্ৰহণ। কাৰ্যসূচীৰ ক্ৰম অনুসাৰে অভ্যৰ্থনা পূৰ্বৰ সমাপ্তিৰ পাছত অনুষ্ঠিত হ'ব প্ৰস্তাৱ গ্ৰহণ। এই ক্ষেত্ৰত উল্লেখ্য যে অংশীদাৰ সদস্যৰ তৰফৰ পৰা প্ৰস্তাৱ উত্থাপন কৰিবলগীয়া থাকিলে সাত ছেপ্তেম্বৰৰ ভিতৰত সমিতিৰ কাৰ্যালয় বা বিক্ৰী কেন্দ্ৰত জমা দিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষই আহ্বান জনাইছে। সভাত আলোচনা সাপেক্ষে ২০২৬-২০২৭ বৰ্ষৰ বাবে আভ্যন্তৰীণ হিচাপ পৰীক্ষকৰ পাৰিতোষিক নিৰ্দ্ধাৰণৰ লগতে হিচাপ পৰীক্ষক নিৰ্বাচন কৰা হ'ব।

# জামুগুৰিহাটৰ ৰঙাচকুৱাত জেন ওৱান য়ুথ ক্লাবৰ উদ্যোগত বৃক্ষ ৰোপণ



**চন্দন শৰ্মা, তেজপুৰ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ বৃহত্তৰ ৰঙাচকুৱা অঞ্চলত সেউজীয়া ভৱিষ্যতৰ সপোনক বাস্তৱৰ ৰূপ দিয়াৰ লক্ষ্যৰে জেন ওৱান য়ুথ ক্লাবৰ উদ্যোগত যোৱা দেওবাৰে বৃক্ষ ৰোপণ কাৰ্যসূচী সফলৰূপে সম্পন্ন কৰে। উক্ত বৃক্ষ ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ৰঙাচকুৱা মাউণ্ট চিনাই ইংলিচ স্কুলৰ অধ্যক্ষ তেজ নেৱাৰে। স্বেচ্ছাসেৱী সংগঠনটোৰ সদস্যসকলে মিলি ৰঙাচকুৱা অঞ্চলৰ পথৰ দুয়োকাষে বৃক্ষ ৰোপণ কৰি চাৰিওফালে নেটৰে ঘেৰ বনাই দিয়ে। স্বেচ্ছাসেৱী সংগঠন জেন ওৱান য়ুথ ক্লাবৰ সভাপতি নিপন হাজৰিকা, সম্পাদক অংশুমান দাসে কয় যে - গছ থাকিলেহে মানুহ থাকিব। আমি অকল গছ পুলিটো ৰোপণ কৰিয়েই আমাৰ দায়িত্ব শেষ কৰিলে নহ'ব। আমি সকলোৱে মিলি প্ৰতিটো গছ পুলি ডাঙৰ নোহোৱালৈকে চোৱা চিতা কৰি যত্ন ল'ব লাগিব। সেয়েহে আমি সংগঠনৰ তৰফৰ পৰা এনেধৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ উপৰি অনাগত দিনত শৈক্ষিক, সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক আদি বিভিন্ন সমাজ কল্যাণমূলক কাৰ্যসূচী হাতত লৈ সমাজখনৰ মংগলৰ হকে কাম কৰি যোৱাৰ প্ৰচেষ্টা অব্যাহত ৰখা হ'ব।

# সন্মানীয় তৃতীয় পূৰ্বোদয় সাহিত্যিক উৎকৰ্ষ বঁটা-তৃতীয়-২০২৬ৰ বাবে আমন্ত্ৰণ দিগন্ত বিশ্ব শৰ্মা

### 'আনন্দমঠ স্বাধীনতা সংগ্ৰামৰ বাবে প্ৰেৰণা' শীৰ্ষক অধিৱেশনত ভাষণ প্ৰদান কৰিব দিগন্ত বিশ্ব শৰ্মাই



**ৰমেন ভৰালী, বংশৰ ঃ** ইনষ্টিটিউট অৱ ছ'চিয়েল এণ্ড কালচাৰেল ষ্টাডিজ, (ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ আইচিএছএছআৰৰ অধীনত স্বীকৃতিপ্ৰাপ্ত সংস্থা) পূৰ্বোদয় লিট ফেষ্টৰ তৃতীয় সংস্কৰণৰ বাবে আয়োজন কৰা হৈছে। চাৰিদিনীয়া এই অনুষ্ঠানটো ২০২৬ চনৰ ২৫ নৱেম্বৰৰ পৰা ২৮ নৱেম্বৰৰ ভিতৰত ভাৰতীয় সাংস্কৃতিক সম্পৰ্ক পৰিষদ, আইচিচিআৰ, কলকাতাত অনুষ্ঠিত হ'ব। এইবাৰ পূৰ্বোদয় লিট ফেষ্টে বিশেষকৈ আজিৰ অতি সংযুক্ত বিশ্বায়িত বিশ্বত জাতীয় পৰিচয় নিশ্চিত কৰাৰ বাবে অতি প্ৰয়োজনীয় হৈ থকা ভাৰতীয় সংস্কৃতিৰ তিনিটা মৌলিক সাৰ 'স্বদেশ-সংস্কৃতি-স্বভিমান'ৰ দিশসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। বৈচিত্ৰ্যপূৰ্ণ পূব ভাৰতৰ প্ৰেক্ষাপটতে ই জাতীয় পৰিচয়, সাংস্কৃতিক স্থিতিস্থাপকতা আৰু ব্যক্তিগত সবলীকৰণক ব্যক্তিগতকৰণ কৰা এক অনুঘটক হৈয়েই আছে। সাহিত্যৰ ক্ষেত্ৰত ব্যতিক্ৰমী অৱদানৰ বাবে প্ৰতি বছৰে পূৰ্বোদয় লিট ফেষ্টে অঞ্চলটোৰ বিশিষ্ট সাহিত্যিকসকলক সন্মান জনায়। এইবাৰ শিল্প, সংস্কৃতি আৰু সাহিত্যৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদানৰ বাবে ২৫ নৱেম্বৰ, ২০২৬ তাৰিখে উদ্বোধনী অনুষ্ঠানৰ সময়ত 'পূৰ্বোদয় সাহিত্য উৎকৰ্ষতা বঁটা-তৃতীয়'ৰে সন্মানিত কৰিব সাহিত্য অকাডেমি বঁটাৰে সন্মানিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অনুশীলন অধ্যাপক তথা সদস্য, সাধাৰণ পৰিষদ আৰু কাৰ্যবাহী মণ্ডলী সাহিত্য অকাডেমিৰ দিগন্ত বিশ্ব শৰ্মাক। এই সন্মানীয় বঁটা আগবঢ়াব পশ্চিম বংগৰ মাননীয় ৰাজ্যপাল H.E.Shri R.N.Ravi ডাঙৰীয়াই। লগতে একেদিনাই অৰ্থাৎ ২০২৬ চনৰ ২৫ নৱেম্বৰত বিশিষ্ট বক্তা হিচাপে বিয়লি ২ৰ পৰা ৩.৩০ বজাৰ ভিতৰত আইচিচিআৰৰ অবনীন্দ্ৰনাথ গেলেৰীত 'আনন্দমঠ স্বাধীনতা সংগ্ৰামৰ বাবে প্ৰেৰণা' শীৰ্ষক আলোচনা অধিৱেশনত ভাষণ দিব।

## কৃতিত্ব



অসম বিশ্ববিদ্যালয় (কেন্দ্ৰীয়), শিলচৰৰ ইতিহাস বিভাগৰ গৱেষক ছাত্ৰ গুপুজিৎ পাঠক-এ "Srimanta Sankardeva's Teaching and Holistic Human Development : A Historical Study" শীৰ্ষক গৱেষণাৰ বাবে অসম বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী (পিএইচ.ডি.) লাভ কৰিছে। তেওঁ অসম বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী তথা ভাৰততত্ত্ব সম্পৰ্কীয় অধ্যয়নৰ সঞ্চালক, NAACৰ সদস্য, সমল ব্যক্তি, সুবক্তা, লেখক আৰু ইতিহাসবিদ অধ্যাপক প্ৰজিত কুমাৰ পালিত-ৰ তত্বাৱধানত সম্পূৰ্ণ কৰে। ড° গুপুজিৎ পাঠক কামৰূপ জিলাৰ বেজেৰা নিবাসী শিঙাৰপাৰা পাতিদৰং উচ্চমাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক প্ৰয়াত নিৰঞ্জন চন্দ্ৰ পাঠক আৰু প্ৰয়াত গিৰিজা পাঠকৰ দ্বিতীয় পুত্ৰ আৰু বিশিষ্ট চিত্ৰশিল্পী, দৃশ্যকলা-লেখিকা আৰু গুৱাহাটীৰ নবীন নগৰস্থিত ড° এ.বি.এছ. কলেজ অৱ এডুকেশ্যন (নেৰিম গ্ৰুপ অৱ ইনষ্টিটিউচনছ)-ৰ দৃশ্যকলা বিভাগৰ সহকাৰী অধ্যাপিকা তথা গৱেষণা নিৰ্দেশক ড° অদিতি ডেকা পাঠকৰ স্বামী আৰু তন্ময় জ্যোতি পাঠকৰ পিতৃ আৰু মঙলদৈৰ উদয়পুৰ মেধিপাৰা নিবাসী প্ৰাক্তন এছ.এছ.বি বিষয়া প্ৰয়াত মমত চন্দ্ৰ ডেকা আৰু বিনা ডেকাৰ জোঁৱাই। বিশিষ্ট লেখক, প্ৰবন্ধকাৰ, কবি, গীতিকাৰ, প্ৰাক্তন আই.কিউ.এ.চি সমন্বয়ক আৰু বিভাগীয় মুৰব্বী ড° গুপুজিৎ পাঠক সম্প্ৰতি গুৱাহাটীৰ গীতানগৰ মহাবিদ্যালয়ৰ ইতিহাস বিভাগত সহকাৰী অধ্যাপক। তেওঁ বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ, সন্মিলন আৰু কৰ্মশালাত সমল ব্যক্তি আৰু অংশগ্ৰহণকাৰী হিচাপে সক্ৰিয়ভাৱে অৱদান আগবঢ়াই আহিছে। তেওঁৰ গৱেষণাপত্ৰ আৰু গ্ৰন্থসমূহৰ প্ৰধান বিষয়বস্তু হৈছে— ইতিহাস, দৃশ্যকলা, আৰ্থ-সামাজিক-সাংস্কৃতিক দিশ, নাৰী আৰু জনজাতীয় বিষয়, আধ্যাত্মিক, ৰাজনৈতিক তথা বহনক্ষম উন্নয়ন বিষয়।

# ৮ বছৰে নিয়মীয়া নহ'ল অধিকাংশ শিক্ষক-কৰ্মচাৰীৰ চাকৰি

## ‘গোৰৰ্দ্ধনা খাৰিজা বিজনী মহাবিদ্যালয়ত দুখৰ মাজতে নৱাগত আদৰণী সভা সম্পন্ন



**শালবাৰী, খাইৰুল ইছলাম ঃ** আনন্দ-উল্লাসৰ মাজেৰে সম্পন্ন হ'ল গোৰৰ্দ্ধনা খাৰিজা বিজনী মহাবিদ্যালয়ৰ ২৮তম নৱাগত আদৰণী সভা। ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ মিলন, সাংস্কৃতিক অনুষ্ঠান আৰু উৎসাহ-উদ্দীপনাৰে মহাবিদ্যালয় চৌহদত সৃষ্টি হোৱা পৰিৱেশে সকলোৰে মনত আনন্দৰ সঞ্চাৰ কৰিলেও, ইয়াৰ আঁৰত লুকাই আছে মহাবিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীসকলৰ দীৰ্ঘদিনীয়া অনিশ্চয়তা আৰু বঞ্চনাৰ এক বেদনাদায়ক অধ্যায়। বৰপেটা জিলাৰ গোৰৰ্দ্ধনা শিক্ষাখণ্ডৰ অন্তৰ্গত গোৰৰ্দ্ধনা খাৰিজা বিজনী মহাবিদ্যালয়ে ইতিমধ্যে ২৮টা বসন্ত অতিক্ৰম কৰিছে। বিগত বছৰসমূহত মহাবিদ্যালয়খনে অঞ্চলটোৰ শিক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বহু ছাত্ৰ-ছাত্ৰীয়ে এই শিক্ষানুষ্ঠানৰ পৰা উচ্চ শিক্ষা গ্ৰহণ কৰি নিজৰ ভৱিষ্যত গঢ়িবলৈ সক্ষম হৈছে। কিন্তু মহাবিদ্যালয়খনৰ শিক্ষাদান ব্যৱস্থাৰ অন্যতম মূল ভেটি শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৰ চাকৰিৰ ভৱিষ্যত আজিও অনিশ্চয়তাৰে ভৰা বুলি অভিযোগ উত্থাপিত হৈছে। মহাবিদ্যালয়খনৰ অধ্যক্ষাসহ অধিকাংশ শিক্ষক-শিক্ষয়িত্ৰীৰ চাকৰি আজিও নিয়মীয়া হোৱা নাই। প্ৰাপ্ত তথ্য অনুসৰি, মহাবিদ্যালয়খনত মাত্ৰ দুটা পদহে নিয়মীয়া হৈছে। ইয়াৰ বিপৰীতে অধ্যক্ষাসহ মুঠ পাঁচজন শিক্ষক-শিক্ষয়িত্ৰীয়ে টিউটৰ হিচাপে কৰ্মজীৱন অতিবাহিত কৰি আহিছে। একেদৰে এগৰাকী চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ চাকৰিও এতিয়ালৈকে নিয়মীয়া হোৱা নাই। উল্লেখযোগ্য যে, ২০২১ চনত মহাবিদ্যালয়খন চৰকাৰীকৰণ কৰা হৈছিল। চৰকাৰীকৰণৰ পাছত শিক্ষক-কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়াকৰণ হ'ব আৰু তেওঁলোকৰ দীৰ্ঘদিনীয়া অনিশ্চয়তাৰ অৱসান ঘটিব বুলি আশা কৰা হৈছিল। কিন্তু চৰকাৰীকৰণৰ কেইবা বছৰ পাছতো অধিকাংশ শিক্ষক-শিক্ষয়িত্ৰীৰ চাকৰি টিউটৰ পদতেই সীমাবদ্ধ হৈ থকাৰ ফলত তেওঁলোকৰ মাজত হতাশা আৰু অনিশ্চয়তাৰ সৃষ্টি হৈছে। মহাবিদ্যালয়খনৰ অধ্যক্ষা জুনু স্বৰ্গীয়াৰীয়ে সংবাদ মাধ্যমৰ আগত বিষয়টো সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে। অধ্যক্ষাগৰাকীৰ মতে, ২০২১ চনত মহাবিদ্যালয়খন চৰকাৰীকৰণ হোৱাৰ পাছতো মাত্ৰ দুজন শিক্ষকৰহে চাকৰি নিয়মীয়া হৈছে। আন শিক্ষক-শিক্ষয়িত্ৰীসকলে এতিয়াও টিউটৰ হিচাপে নিজৰ দায়িত্ব পালন কৰি আহিছে। দীৰ্ঘদিন ধৰি টিউটৰ হিচাপে সেৱা আগবঢ়াই অহা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ চাকৰি নিয়মীয়াকৰণ নোহোৱাৰ বিষয়টোৱে তেওঁলোকৰ ব্যক্তিগত কৰ্মজীৱনৰ লগতে মহাবিদ্যালয়খনৰ ভৱিষ্যত সম্পৰ্কেও প্ৰশ্ন উত্থাপন কৰিছে। শিক্ষা প্ৰতিষ্ঠান এখনৰ শৈক্ষিক পৰিৱেশ সুস্থিৰ কৰি ৰাখিবলৈ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ চাকৰিৰ নিৰাপত্তা আৰু স্থায়িত্ব অত্যন্ত গুৰুত্বপূৰ্ণ। সেয়েহে এই সমস্যাৰ শীঘ্ৰে সমাধানৰ দাবী উত্থাপন হৈছে। ইফালে, নৱাগত আদৰণী সভাত ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ মাজত দেখা পোৱা আনন্দ-উচ্ছাসে মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশক নতুন আশাৰে উজ্জীৱিত কৰি তুলিছে। নতুন ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ লগতে পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় আৰু সাংস্কৃতিক কাৰ্যসূচীয়ে অনুষ্ঠানটো আকৰ্ষণীয় কৰি তোলে। কিন্তু এই আনন্দৰ মাজতো শিক্ষক-কৰ্মচাৰীসকলৰ চাকৰিৰ অনিশ্চয়তাৰ বিষয়টোৱে মহাবিদ্যালয়খনৰ বাবে এক গভীৰ বেদনাৰ ৰূপ লৈছে। অধ্যক্ষা জুনু স্বৰ্গীয়াৰীয়ে সংবাদ মাধ্যমৰ জৰিয়তে অসম চৰকাৰৰ ওচৰত মহাবিদ্যালয়খনৰ ভৱিষ্যত আৰু ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়াকৰণৰ ক্ষেত্ৰত শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়। ২৮টা বছৰ অতিক্ৰম কৰি আগবাঢ়ি যোৱা গোৰৰ্দ্ধনা খাৰিজা বিজনী মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ এই দীৰ্ঘদিনীয়া সমস্যা কেতিয়া সমাধান হয়, সেয়াই এতিয়া অঞ্চলবাসী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ বাবে অপেক্ষাৰ বিষয় হৈ পৰিছে। চৰকাৰৰ তৎপৰতাইহে এই শিক্ষানুষ্ঠানখনৰ শিক্ষক-কৰ্মচাৰীসকলৰ অনিশ্চয়তাৰ অৱসান ঘটাই মহাবিদ্যালয়খনক অধিক সুস্থিৰ শৈক্ষিক পৰিৱেশ প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰিছে মহাবিদ্যালয় কতৃপক্ষই।

# বাহবাৰীত অসম ফুটবল সন্থাৰ ছিনিয়ৰ পুৰুষ ফুটবল টুৰ্ণামেণ্টৰ শুভাৰম্ভ



**জাহিদুল ইছলাম, খাৰিজা বিজনী ঃ** শালবাৰী জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত, বাহবাৰীৰ মানাস পেন্থাৰ স্পোৰ্টছ ক্লাবৰ সহযোগত বাক্সাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত বাহবাৰীস্থিত ছেইণ্ট জেভিয়াৰ হাইস্কুল খেল পথাৰত আৰম্ভ হৈছে অসম ফুটবল সন্থাৰ জ'ন-জিৰ ছিনিয়ৰ পুৰুষ ফুটবল টুৰ্ণামেণ্টৰ টুৰ্ণামেণ্টৰ আৰম্ভণিতে সদ্য প্ৰয়াত বিটিচিৰ উপাধ্যক্ষ বিজিৎ গৌৰা নাৰ্জাৰী আৰু অসমীয়াৰ হাৰ্ট থ্ৰ'ৱ জুবিন গাৰ্গৰ প্ৰতিচ্ছৱিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি নিবেদন কাৰ্যসূচী মুকলি কৰে ক্ৰমে- বিটিচিৰ কাৰ্যবাহী সদস্য বেগম আখতাৰা আহমেদ আৰু বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে। লগতে অসম ফুটবল সন্থা, শালবাৰী জিলা ক্ৰীড়া সন্থা আৰু মানাস পেন্থাৰ স্পোৰ্টছ ক্লাবৰ পতাকা উত্তোলন কৰে ক্ৰমে- সৌৰজি বসুমতাৰী, কালিচৰণ বসুমতাৰী আৰু দানেশ্বৰ বসুমতাৰীয়ে। বিটিচিৰ কাৰ্যবাহী সদস্য বেগম আখতাৰা আহমেদে মুখ্য অতিথিৰূপে বক্তৃতা প্ৰদান কৰা উদ্বোধনী অনুষ্ঠানত খেলখন এটি ফুটবল কিক কৰি উদ্বোধন কৰে বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে। মুখ্য অতিথিৰ ভাষনত বিটিচিৰ কাৰ্যবাহী সদস্য বেগম আখতাৰা আহমেদে কয়- ‘শেহতীয়া বিটিচি চৰকাৰৰ বাজেট অধিৱেশনত ক্ৰীড়াৰ উন্নয়নৰ বাবে হাগ্ৰামা মহিলাৰীৰ নেতৃত্বাধীন বিটিচি চৰকাৰে উল্লেখনীয় আঁচনি প্ৰৱৰ্তন কৰিছে। আগন্তুক সময়ছোৱাত বিটিচিত ক্ৰীড়াৰ ক্ষেত্ৰখনৰ দ্ৰুত গতিত উন্নয়ন হ'ব’। প্ৰাঞ্জল ডেকাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত শালবাৰীৰ এমচিএলএ দিগন্ত গয়াৰী, বিপিএফ নেতা ক্ৰমে- ভুৱনেশ্বৰ গয়াৰী, হিতেশ ৰাৰী, খনিন্দ্ৰ ব্ৰহ্ম, বিবেকানন্দ সৰকাৰ, ইব্ৰাহিম আলী, আদিবাসী কল্যাণ উন্নয়ন পৰিষদৰ উপাধ্যক্ষ সুভাষ তিৰ্কী, আছু নেতা জুবিন দাস, আদিবাসী নেতা সঞ্জীৱ ওৰাং, মানসুখ ছানখাৰিকা, বাহবাৰী ছেইণ্ট জেভিয়াৰ স্কুলৰ অধ্যক্ষ ফাদাৰ থমাছ দিছিলভা, ক্ৰীড়াবিদ মুকুল চন্দ্ৰ বড়ো, কান্তেশ্বৰ বসুমতাৰী, দাওহাৰু বসুমতাৰী, গগন গগৈ নাৰ্জাৰী, বানেশ্বৰ ব্ৰহ্মৰ লগতে বহু সংখ্যক বিশিষ্ট ব্যক্তিয়ে সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰে। উদ্বোধনী খেলত বাক্সা জিলা দলে তামুলপুৰ জিলা দলক ২-০ গ'লত পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে। উদ্বোধনী অনুষ্ঠানত জনগোষ্ঠীয় সাংস্কৃতিক কাৰ্যসূচীও ৰূপায়ণ কৰা হয়।

# বানপীড়িত ৰাইজৰ স্বাস্থ্য আৰু অনাময় সুৰক্ষাৰ দিশত শিৱসাগৰ জিলা প্ৰশাসনৰ এক গুৰুত্বপূৰ্ণ বিজ্ঞানসন্মত পদক্ষেপ



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** চলিত বৰ্ষৰ ভয়াৱহ বানপানীৰ পৰিপ্ৰেক্ষিতত আশ্ৰয় শিৱিৰ আৰু বিদ্যালয়সমূহত অনাময় ব্যৱস্থা অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে ইউনিচেফ (UNICEF) আৰু ৱাছ ইনষ্টিটিউট (WASH Institute)-ৰ সহযোগত শিৱসাগৰ জিলা প্ৰশাসনলৈ এখন অত্যাধুনিক ‘মলমূত্ৰজাত বজ্য পৰিশোধনকাৰী মোবাইল বাহন’ ((Mobile Septage Treatment Unit) আগবঢ়োৱা হৈছে। যোৱা ২৬ আগষ্টত শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া মিনাক্ষী পেৰ্মে, সহকাৰী আয়ুক্ত গণেশ বড়ো আৰু জিলা প্ৰকল্প বিষয়া বিজয়লক্ষ্মী গগৈসহ জিলা দুৰ্যোগ ব্যৱস্থাপনা শাখাৰ সকলো কৰ্মচাৰীৰ উপস্থিতিত এই মোবাইল ইউনিটটো আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। MSTU-ৰ এই ব্যৱস্থাপনা, জনস্বাস্থ্য কাৰিকৰী বিভাগ, শিৱসাগৰ জিলা প্ৰশাসন, শিৱসাগৰ পৌৰসভা, শিক্ষা বিভাগ, ইউনিচেফ আৰু ৱাছ ইনষ্টিটিউটৰ মাজৰ সমন্বয়ৰ জৰিয়তে সুকলমে চলাই থকা হৈছে, য'ত জনস্বাস্থ্য কাৰিকৰী বিভাগে জিলাস্তৰৰ সমন্বয় আৰু ক্ষেত্ৰীয় কাম-কাজত সহায় কৰি আছে। এই বিশেষ ইউনিটটোৰ প্ৰযুক্তিগত ক্ষমতাসমূহ এনেধৰণৰ-- ১। ইয়াত থকা ইন-বিল্ট ব্যৱস্থাৰ জৰিয়তে প্ৰতি ঘণ্টাত ৬,০০০ লিটাৰ পৰ্যন্ত মলমূত্ৰজাত বজ্য নিৰাপদ আৰু বৈজ্ঞানিক পদ্ধতিৰে পৰিশোধন কৰিব পৰা যায়। ২। বানপীড়িত আশ্ৰয় শিবিৰ আৰু বিদ্যালয়সমূহৰ অনাময়জনিত সমস্যাৰ ই হ'ব এক তাৎক্ষণিক আৰু নিৰাপদ সমাধান। বানপানীৰ সময়ত কেৱল খাদ্য আৰু আশ্ৰয়েই নহয়, সুস্বাস্থ্য আৰু মৰ্যাদাপূৰ্ণ জীৱনৰ বাবে নিৰাপদ অনাময় আৰু জনস্বাস্থ্য সুৰক্ষাও সমানেই প্ৰয়োজনীয়। এই মূল্যৱান সহযোগিতাৰ বাবে শিৱসাগৰ জিলা প্ৰশাসনে ইউনিচেফ আৰু ৱাছ ইনষ্টিটিউটলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছে। সুৰক্ষিত আৰু পৰিস্কাৰ শিৱসাগৰ গঢ়ি তোলাৰ দিশত জিলা প্ৰশাসনৰ এই প্ৰয়াসক সচেতন মহলে আদৰণি জনাইছে।

# বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ নাটৰ আখাৰাৰ শুভাৰম্ভ



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ বংশৰ বাপুজী স্মৃতি পুথিভঁৰালে এইবেলি সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰী শ্ৰী দুৰ্গা পূজা সমিতিৰ দূৰ্গা পূজাত মহাষ্টমীৰ দিনা নাট মঞ্চস্থ কৰাৰ বাবে যোৱা ২৭ আগষ্টত নাটৰ আখাৰাৰ শুভৰাম্ভ অনুষ্ঠান অনুষ্ঠিত হয়। বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ সভাপতি ৰমেন ভৰালীৰ সভাপতিত্বত অনুষ্ঠিত নাটৰ আখাৰাৰ শুভৰাম্ভ অনুষ্ঠানত ‘পৰীক্ষিত হালৈৰ ৰচিত আৰু ৰমেশ দাসৰ পৰিচালনাত পূৰ্ণাংগ নাট পিতাপুত্ৰ নাটৰ আখৰাৰ শুভাৰম্ভ কৰে বংশৰ অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী তথা বংশৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি ৰমেশ দাসে। বংশৰ বাপুজী স্মৃতি পুথিভঁৰাল প্ৰাংগণত অনুষ্ঠিত হোৱা শুভাৰম্ভ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাষণ দিয়ে বিশিষ্ট নাট্যকৰ্মী তথা অৱসৰপ্ৰাপ্ত পশুপালন বিভাগৰ বিষয়া উত্তম নায়কে, শুভাৰম্ভ অনুষ্ঠানত শ্ৰীশ্ৰী লক্ষ্মী নাৰায়ণ মন্দিৰ, বংশৰৰ সভাপতি ভৱানী চৰণ দাস, অৱসৰপ্ৰাপ্ত শিক্ষক পৰমানন্দ দাস, অৱসৰপ্ৰাপ্ত কেন্দ্ৰীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক মনোমোহন দাস, অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা নাট্যকৰ্মী হলধৰ তালুকদাৰ, বয়োজ্যেষ্ঠ ব্যক্তি সত্যৰাম দাস, খনীন দাস, সাংস্কৃতিক কৰ্মী খগেন দাস, গিৰিশ দাস, নিত্যানন্দ ভৰালী, ৰঞ্জিত দাস আদি উপস্থিত থাকে। শুভাৰম্ভ অনুষ্ঠানৰ আঁতধৰে শিক্ষক মন্টু গোস্বামী আৰু বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ সম্পাদক মুকুট ঠাকুৰীয়াই।

# পৰেশ বৈশ্য ফাউণ্ডেচনৰ উদ্যোগত শিক্ষা-সাংবাদিকতাৰ দিন

**গুৱাহাটী ঃ** শিক্ষা, সাংবাদিকতাৰ উত্তৰণ আৰু সামাজিক পৰিৱৰ্তনৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনে অহা ১৫ ছেপ্টেম্বৰত বিয়লি ৩ বজাত গুৱাহাটী প্ৰেছ ক্লাবত ১৯ সংখ্যক শিক্ষা-সাংবাদিকতাৰ দিন উদ্‌যাপন কৰিব। এইবাৰৰ শিক্ষা- সাংবাদিকতাৰ দিনৰ আলোচ্য বিষয় হ'ল ঃ সামাজিক মাধ্যমত বিকল্প কণ্ঠস্বৰৰ উত্থান। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ অক্ষয় কুমাৰ মিশ্ৰ, বিশিষ্ট কবি আৰু সুবক্তা ড° নন্দ সিং বৰকলা, বিশিষ্ট শিক্ষাবিদ ড° দয়ানন্দ পাঠক আৰু বিশিষ্ট পৰিৱেশ বিজ্ঞানী ড° অৰনী কুমাৰ ভাগৱতীয়ে অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানতেই 'শিক্ষাৰ্থীৰ সপোন' শিতানত 'মোৰ সপোনৰ শিক্ষা ব্যৱস্থা' শীৰ্ষক এক বিশেষ বক্তৃতা প্ৰদান কৰিব গুৱাহাটীৰ কামাখ্যাগেটৰ নীলাচল জাতীয় বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী দৰ্শিতা বণিক্যই। উক্ত অনুষ্ঠানতেই পৰেশ বৈশ্য ফাউণ্ডেচনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা শংকৰী সাহিত্যৰ সাধক ড° ভূপেন্দ্ৰ ৰায়চৌধুৰীক শংকৰদেৱ অধ্যয়ন বঁটা, লখিমপুৰৰ নাৰায়ণপুৰৰ যোগেন্দ্ৰ নাথ দত্তক মাধৱদেৱ অধ্যয়ন বঁটা, ৰামদিয়াৰ মহেন্দ্ৰ নাথ ডেকাক অসম ইতিহাস অধ্যয়ন বঁটা, ৰঙিয়াৰ মুৰাৰা বালিকা বিদ্যালয় বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী নিভা ডেকা মহন্তক শ্ৰেষ্ঠ শিক্ষয়িত্ৰী বঁটা, মৰিগাঁৱৰ সাংবাদিক ডালিম ফুকনক শ্ৰেষ্ঠ সাংবাদিক বঁটা, শিশু সাহিত্যিক যুগল লোচন দাসক শিশু সাহিত্য বিষয়ক ফেল'শ্বিপ প্ৰদান কৰাৰ লগতে সদৌ অসম ভিত্তিত অনুষ্ঠিত কৰা বান-বিভীষিকা বিষয়ক ডাকযোগে চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ীসকলক বঁটা প্ৰদান কৰা হ'ব। এই অনুষ্ঠানতেই পৰেশ বৈশ্য ফাউণ্ডেচনৰ বাৰ্ষিক গৱেষণাধৰ্মী গ্ৰন্থ 'এডুকেৰে'ৰ দ্বিতীয় সংখ্যা, পৰেশ বৈশ্য ফাউণ্ডেচনৰ শিশু সাহিত্য বিষয়ক ফেল'শ্বিপৰ আধাৰত যুগল লোচন দাসে যুগুতোৱা পাণ্ডুলিপিৰ ছপা সংস্কৰণ 'অসমীয়া শিশু সাহিত্য ঃ ২০০১-২০২৫' আৰু ড° হেমন্ত হাজৰিকাৰ সম্পাদনাত প্ৰকাশিত শিক্ষাবিদ পৰেশ বৈশ্যৰ জীৱন আৰু কৃতিৰ বিষয়ে বিভিন্নজনে কৰা মূল্যায়ন বিষয়ক গ্ৰন্থ 'সান্নিধ্যৰ সৌৰভ' উন্মোচন কৰা হ'ব। অনুষ্ঠানত সংশ্লিষ্ট সকলোকে উপস্থিত থাকিবলৈ পৰেশ বৈশ্য ফাউণ্ডেচনৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই অনুৰোধ জনাইছে।

# জটিল ৰোগত আক্ৰান্ত জাজৰিৰ দলংঘাটৰ দৰিদ্ৰ যুৱক

## আৰ্থিক অনাটনত কটাইছে যন্ত্ৰণাদায়ক জীৱন



**জয়ন্ত মুদৈ, নগাঁও ঃ** এক জটিল ৰোগত আক্ৰান্ত হৈ চিকিৎসাৰ অভাৱত যন্ত্ৰণাকাতৰ জীৱন কটাইছে নগাওঁ আৰু মৰিগাঁও জিলাৰ সীমান্তৰ জাজৰিৰ দলংঘাট বৰমণিপুৰৰ দলৈগাঁৱৰ ২৮ বছৰীয়া ধীৰাজ বৰদলৈ নামৰ এজন দৰিদ্ৰ যুৱকে। আচলতে, বিগত পাঁচ বছৰ ধৰি ফাইলেৰিয়া নামৰ এক জটিল ৰোগত আক্ৰান্ত হৈ আৰ্থিক অনাটনৰ বাবে চিকিৎসাৰ পৰা বঞ্চিত হ'ব লগা হৈছে যুৱকজন। যুৱকজনে ক্ষুদ্ৰ ব্যৱসায়ৰ জৰিয়তে কোনোমতে পৰিয়াল পোহপাল দি আহিছিল যদিও বৰ্তমান এই জটিল ৰোগৰ চিকিৎসাৰ বাবে পৰ্যাপ্ত ধনৰ অভাৱত হামৰাও কাঢ়িছে যুৱকজনৰ লগতে দৰিদ্ৰ পৰিয়ালটোৱে। হাতত থকা সাঁচতীয়া ধনেৰে কোনোমতে গুৱাহাটীত চিকিৎসা কৰোৱাইছিল যদিও উন্নত চিকিৎসাৰ বাবে চিকিৎসকে পৰামৰ্শ দিয়াত এতিয়া দৰিদ্ৰ পৰিয়ালটোৰ মুৰৰ ওপৰত সৰগ ভাগি পৰিছে। আজিকোপতি চৰকাৰী কোনো আঁচনিৰ সুবিধা পাবলৈ সক্ষম নোহোৱাৰ হেতু একমাত্ৰ আৰ্থিক দৈন্যতাৰ বাবেই পৰ্যাপ্ত চিকিৎসা কৰিব নোৱাৰি যুৱকজনৰ তিনিজনীয়া পৰিয়ালটোৱে যন্ত্ৰণাদায়ক জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। কিয়নো, জটিল ৰোগত আক্ৰান্ত এই যুৱকজনেই ঘৰখনৰ একমাত্ৰ উপাৰ্জনকাৰী হোৱাৰ হেতু এতিয়া গোটেই পৰিয়ালটো চৰম সংকটৰ সন্মুখীন হ'বলগীয়াত পৰিছে। আনকি আয়ুষ্মান ভাৰত কাৰ্ডো নথকা এই দুৰ্ভগীয়া যুৱকজনে স্থানীয় বিধায়ক ৰমাকান্ত দেউৰীক সমগ্ৰ বিষয়টো কেইবাবাৰো অৱগত কৰিছে যদিও আজি পৰ্যন্ত বিধায়কজনে কোনো সহায় বা গুৰুত্ব আৰোপ নকৰা বুলিহে জানিব পৰা গৈছে। মুঠতে অভাৱে জুৰুলা কৰা অতি দুখীয়া পৰিয়ালটোৱে দুচকুৰে কেৱল আন্ধাৰ দেখিছে। সেয়ে উপায়হীন হৈ অসহায় যুৱকজনে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ সহায় ভিক্ষা মাগাৰ বিপৰীতে সদাশয় ৰাইজৰ প্ৰতিও সহায়ৰ বাবে কাতৰে অনুৰোধ জনাইছে। গতিকে কোনো হৃদয়ৱান লোকে যদি এই দৰিদ্ৰ পৰিয়ালটোক কিবা সহায় কৰিব বিচাৰে তেন্তে যুৱকজনৰ ৮৪৭৪০-৭৮৮২৫ ম'বাইল নম্বৰত যোগাযোগ কৰি সহায়ৰ হাত আগবঢ়াব পাৰে।

# শিৱসাগৰ জিলাৰ নাজিৰাত এন জি অ' 'দেৱদত্ত'ৰ বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** স্বেচ্ছাসেৱী অনুষ্ঠান 'দেৱদত্ত'ৰ দ্বাৰা এক বঁটা প্ৰদান অনুষ্ঠান সফলতাৰে সম্পন্ন হয়। যোৱা ২৯ আগষ্ট, শনিবাৰে শিৱসাগৰ জিলাৰ নাজিৰা সমষ্টিৰ অন্তৰ্গত জোকতলি মৌজাৰ ন-মাটি ফুলপানী বৰুৱা মজলীয়া বিদ্যালয়ত 'দেৱদত্ত'ৰ সঞ্চালক মুনিন গগৈ সঞ্চালনাত অহা ৫ চেপ্তেম্বৰত শিক্ষক দিৱস উপলক্ষে অঞ্চলটোৰ ৬ জন শিক্ষক-কৰ্মচাৰীক 'দেৱদত্ত'ৰ বঁটা প্ৰদান কৰা হয়। সঞ্চালকগৰাকীয়ে আৰম্ভণিতে 'অৱতৰণিকা' পাঠ কৰি কেউজন শিক্ষক-কৰ্মচাৰীৰ সংক্ষিপ্ত বঁটাৰ যোগ্যতা আলোকপাত কৰে। অনুষ্ঠানৰ বঁটাপ্ৰাপ্ত ব্যক্তিসকল ক্ৰমে- 'অধ্যয়নপুষ্ট শিক্ষক বঁটা' বিনোদ বৰগোহাঞি, মঠিয়াছিগা ৰাজমাঁও উচ্চ মাধ্যমিক বিদ্যালয়। 'লেখক-শিক্ষক বঁটা' প্ৰশান্ত কোঁৱৰ, বামুনপুখুৰী চাহ বাগিছা আদৰ্শ বিদ্যালয়। আনহাতে আবিদুৰ ৰহমান, মৃদুল বাইলুং, নেইম আলী (তিনিও জন শিক্ষক ন-মাটি উচ্চ মাধ্যমিক বিদ্যালয়) আৰু আন জন ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হৰি চন্দ্ৰ বৰুৱা (ন-মাটি ফুলপানী বৰুৱা এম ভি স্কুলকে ধৰি মুঠ চাৰিজনক 'কৰ্মোদ্যম বঁটা' প্ৰদান কৰা হয়। বঁটা গ্ৰহণ কৰি দিয়া ভাষণত বিনোদ বৰগোহাঞি, প্ৰশান্ত কোঁৱৰ আৰু মৃদুল বাইলুং এ কৰ্মজীৱনৰ অভিজ্ঞতাৰে কয়-শিক্ষকতা বৃত্তিটো চাকৰি বুলি যদি লোৱা হয় তাত কেতিয়াও শিক্ষকতাৰ আনন্দ নাপায়। চৰকাৰী আদেশত কৰা কামবোৰ চাকৰি। অতিৰিক্তভাৱে নিজৰ অন্তৰে ত্যাগ, শ্ৰমবোৰ খটাই কৰা কামবোৰত তৃপ্তি থাকে। বঁটাই প্ৰকৃততে প্ৰেৰণা দান কৰে। শেষত 'দেৱদত্ত'ৰ সঞ্চালক মুনিন গগৈয়ে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত সকলোৰে কৰা সহযোগিতাৰ বাবে ধন্যবাদসহ কৃতজ্ঞতা জনায়।

# বানে ধোৱা উজনিৰ ধিতাইপুখুৰীত বিনামূলীয়া চিকিৎসা শিবিৰ নগাঁৱৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ

## তিনি শতাধিক বন্যাৰ্তৰ মাজত চিকিৎসা সেৱাৰ লগতে ঔষধ বিতৰণ




**জয়ন্ত মুদৈ, নগাঁও ঃ** উজনিৰ শিৱসাগৰ জিলাৰ বান বিধ্বস্ত অঞ্চলৰ দুৰ্ভগীয়া ৰাইজৰ দুৰ্দশাৰ প্ৰতি লক্ষ্য ৰাখি ইষ্টমেন অটো এণ্ড পাৱাৰ লিমিটেডৰ সৌৰশক্তি বিভাগৰ উদ্যোগত আৰু নগাঁৱৰ ব্যৱসায়িক প্ৰতিষ্ঠান হুছেইন এণ্টাৰপ্ৰাইজৰ সহযোগত এক বিনামূলীয়া চিকিৎসা সেৱা শিবিৰ অনুষ্ঠিত কৰা হয়। আচলতে, বাঢ়নী পানী শুকুৱাৰ পৰৱৰ্তী সময়ছোৱাত বান কৱলিত অঞ্চলোবোৰৰ বহু লোকেই স্বাস্থ্যজনিত সমস্যাৰ সন্মুখীন হৈছে। গতিকে এনে পৰিস্থিতিত বানাক্ৰান্ত ৰাইজৰ মাজত যাতে কোনো বেমাৰ-আজাৰে বিভীষিকাৰ সৃষ্টি কৰিব নোৱাৰে সেই নিমিত্তে ইষ্টমেন অটো এণ্ড পাৱাৰ লিমিটেডৰ সৌৰশক্তি বিভাগ আৰু হুছেইন এণ্টাৰপ্ৰাইজে এনে পদক্ষেপ গ্ৰহণ কৰিছে। সেই অনুসৰি শিৱসাগৰৰ ঐতিহাসিক ধিতাইপুখুৰী আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত উক্ত বিনামূলীয়া চিকিৎসা সেৱা শিবিৰটি অনুষ্ঠিত কৰা হয়। এই শিবিৰত অঞ্চলটোৰ প্ৰায় ৩০০ গৰাকী বানপীড়িত লোকক বিনামূলীয়াকৈ চিকিৎসা সেৱা আগবঢ়োৱাৰ লগতে প্ৰয়োজনীয় ঔষধো বিতৰণ কৰা হয়। পুৱাৰে পৰা দিনযোৰাকৈ আয়োজিত এই শিবিৰত বিশেষজ্ঞ চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ দলে বানপীড়িত লোকসকলৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিভিন্ন ৰোগৰ চিকিৎসা আৰু পৰামৰ্শ আগবঢ়ায়। উক্ত শিবিৰটিত ইষ্টমেন অটো এণ্ড পাৱাৰ লিমিটেডৰ পুলক হুজুৰী, হুছেইন এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰী ইকবাল হুছেইন, সমাজকৰ্মী ৰঞ্জন বৰা, সন্দীপন, নজৰুল হুছেইন আৰু আবু ছাদিক কবিৰৰ লগতে বিদ্যালয়খনৰ প্ৰধান শিক্ষক চন্দ্ৰকান্ত গগৈ, গাঁও প্ৰধান যদু কোঁৱৰ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰণৱ বুঢ়াগোহাঁই, শিৱমন্দিৰ পৰিচালনা সমিতিৰ প্ৰদীপ গগৈ, ধিতাইপুখুৰী মহিলা মঞ্চৰ বিষয়ববীয়াকে ধৰি কেইবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে। দুৰ্যোগৰ সময়ত স্বাস্থ্যসেৱাৰ দৰে জৰুৰী সেৱা বিনামূলীয়াকৈ আগবঢ়োৱা এনে পদক্ষেপৰ বাবে ইষ্টমেন অটো এণ্ড পাৱাৰ লিমিটেডৰ সৌৰশক্তি বিভাগ আৰু হুছেইন এণ্টাৰপ্ৰাইজৰ শলাগ লৈছে সচেতন মহলে।

# অসম বৈদিক সমাজৰ প্ৰথম খন কাৰ্যনিৰ্বাহক সভাত গুৰুত্বপূৰ্ণ সিদ্ধান্ত



**ৰমেন ভৰালী, বংশৰ ঃ** অসম বৈদিক সমাজৰ প্ৰথম খন কাৰ্যনিৰ্বাহক সভা যোৱা ২৬ আগষ্টত সমাজৰ সভাপতি বিশিষ্ট সু-সাহিত্যিক ধীৰেন চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত সমাজৰ অন্যান্য বিশিষ্ট বিষয়ববীয়া আৰু সন্মানীয় সদস্যসকলৰ সৈতে অনুষ্ঠিত হয়। সভাত বৈদিক সমাজৰ উপসভাপতি বিশিষ্ট সংস্কৃত পণ্ডিত ডক্টৰ নৃপেন্দ্ৰনাথ শৰ্মা, সচিৱ ডক্টৰ সুদেষ্ণা ভট্টাচাৰ্য্য, সহকাৰী সচিৱ নৱজ্যোতি বৰদলৈ, কোষাধ্যক্ষ সুমিত মিশ্ৰ আৰু সদস্য সকল-ডক্টৰ নলিনী দেৱী মিশ্ৰ, ড° মঞ্জুলা দেৱী, ৰেৱা শৰ্মা, ডক্টৰ নন্দিতা গোস্বামী ভট্টাচাৰ্য্য, ড° অম্বৰীশ অধ্যাপক, শিৱ নাথ শৰ্মা, মনজিতা মহন্ত, ধ্ৰুৱজ্যোতি শৰ্মা, দীপক কুমাৰ শৰ্মা আৰু বিপুল কুমাৰ শৰ্মা উপস্থিত থাকে। বৈদিক সমাজৰ সভাপতি ধীৰেন্দ্ৰ চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হৈ যোৱা সভাত ত্ৰিবৰ্ষীয় কাৰ্য আঁচনি গ্ৰহণ কৰাৰ লগতে প্ৰতি বছৰত বেদ আৰু বৈদিক সংস্কৃতি সম্পৰ্কীয় এখন আলোচনা সত্ৰ, এটি বক্তৃতানুষ্ঠান, ৰাষ্ট্ৰীয় বৈদিক সন্মিলন, সংস্কৃত দিৱস আৰু সংস্কৃত প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ লগতে বৈদিক কৰ্মকাণ্ড বিষয়ক কৰ্মশালা অনুষ্ঠিত কৰাবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সভাই বেদৰ অন্তৰ্গত কাহিনীৰ এখন সংকলন প্ৰকাশ কৰিবলৈও প্ৰস্তাৱ গ্ৰহণ কৰে। উল্লেখযোগ্য যে অসম বৈদিক সমাজৰ মূল লক্ষ্য আগত ৰাখি ইতিমধ্যে অসম বেদ বিদ্যালয় (বৈদিক শাখা) মহৰ্ষি সান্দিপনী ৰাষ্ট্ৰীয় বেদবিদ্যা প্ৰতিস্থান, উজ্জয়িনীৰ অধীনত চলি আছে।

## বিষাদৰ হুমুনিয়াহ

**শচীন্দ্ৰ কুমাৰ দাস**
পলাশবাৰী

আকাশখন আজি দেখোন
অচিনাকি যেন লাগিছে,
মেঘে ছন্ন কলীয়া ৰূপেৰে
গৰজি উঠি বিজুলীৰ চমক দিছে।

মোৰ পোনাটি মোৰ বুকুত সোমাই
ভয়তে আতুৰ হৈ কঁপি উঠিছে।
মোৰ বুকুৰ সোণটো,
তাৰ উশাহৰ কঁপনিয়ে মোৰ বুকুত
অলেখ হুমুনিয়াহ জগাই তুলিছে।
শীতৰ ভয়াল বৃষ্টিৰ আচলত
মোৰ বুকুৰ মণিজন তিতিলে
মোৰ হৃদয়খনে বেজাৰত
নিতালে উচুপি উঠিব।
বতাহত গছ-বিৰিখৰ কৰুণ চিঞৰে
মোৰ ভগা পঁজাটিৰ চোতালখন কঁপাই তুলিছে।
কাষতে বহি থকা মোৰ পত্নীজনীয়ে
ভয় আৰু চকুপানীৰে সেমেকি উঠিছে,
বুকুৰ উশাহবোৰ যেন তাইৰ হেৰাই যাব খুজিছে।

অই আকাশ, আগজাননী দিছ তোৰ নিষ্ঠুৰ তাণ্ডৱৰ।
মোৰ এই ভগা পঁজাটি
আজি নিশা কুশলে জানো থাকিব?

হাতত অলপ পইচা থকা হ'লেই
এই জুপুৰীৰ টিনপাত কেইখন
উৰি নোযোৱাকৈ বান্ধিলোঁহেঁতেন,
দৰিদ্ৰতাৰ এই অভিশাপক বাৰু কেনেকৈ ভেদিম?
আজি মোৰ হাত উকা, মই বৰ অসহায়।

জোনবাই দেখা পোৱা মোৰ জুপুৰীৰ মূধচে
কান্দি উঠিছে মৰ্মান্তিক শিহৰণত।
কিজানিবা এই ক'লা ঘোৰ ৰাতি
প্ৰবল বৃষ্টিয়ে ধুৱাই লৈ যাব
আমাৰ সৰু পঁজাটি, আমাৰ শেষ আৰেগ।

ম'বাইল ঃ ৮৪০৩৮-৩৫০৪৮

## শালীনতাৰ দীক্ষা

**টোলন তাছা**
চিকনি বৰহোলা, নগাঁও

প্ৰকৃতিৰ সুন্দৰ সৃষ্টি লাজ আৰু লাৱণ্য,
শালীনতাৰ আৱৰণে জীৱশ্ৰেষ্ঠ মানুহক কৰে ধন্য।
পিছে জন্ম-মৃত্যুৰ নগ্নতা জীৱনৰ চিৰসত্য নিয়ম
কিন্তু ডলাৰৰ আশাত সামাজিক মাধ্যম এতিয়া,
বিবেকহীনসকলৰ বাবে নগ্নতাৰ নতুন প্লেটফৰ্ম।

ডিজিটেল ধুমুহাত হেৰাইছে এচামৰ স্বাভিমান,
দেহাৰ প্ৰদৰ্শনেৰে সিহঁতে দিছে মাথোঁ যৌনতাৰ জ্ঞান।
এনেদৰে যদিহে বিয়পি থাকে শালীনতাৰ দীক্ষা।
উঠি অহা প্ৰজন্মই লভিব কেনেনো শিক্ষা,
সিহঁতৰ মাজত কিয়নো নহ'ব চূড়ান্ত বিশৃংখলতা।
পৰিয়াল বা সমাজে কুম্ভকৰ্ণৰ দৰে শুই থাকিলে
অপৈণত প্ৰজন্মই কৰিব দেহাৰ মুকলি বেহা।
তল পৰিব বিদ্যালয় শিক্ষা হেৰাই যাব সংযমৰ সীমা
কোনে শিকাব ৰূপতকৈ গুণহে উৎকৃষ্ট অলংকাৰ,
কোনে পোহৰাব সমাজক আঁতৰাই অজ্ঞানতাৰ আন্ধকাৰ?
চিৰদিনলৈ লুপ্ত হওঁক বিজতৰীয়া সংস্কৃতিৰ ছাঁ
পাৰম্পৰিক সাজেৰে জিলিকি উঠক জীৱনৰ বাটচ'ৰা
বল্কল পিন্ধা দিনবোৰ ইতিহাসৰ পৃষ্ঠাতে হওঁক সোৱঁৰণী
শালীনতাৰ জ্যোতিৰে উজলি উঠক হৃদয়ৰ সৌন্দৰ্য
সৰ্বত্ৰে প্ৰতিধ্বনিত হওঁক আপোন সংস্কৃতিৰ বাণী।

ম'বাইল ঃ ৮৪৮৬০-৬৮৩৯০

## বিশ্বাস

**ৰূপালী গগৈ চুতীয়া**
ডিব্ৰুগড়

এজাক সুৰীয়া বতাহ
নিৰৱতাক সাৱটি লৈ
মাথোঁ জীয়াই থকাৰ
তাড়নাত ভুগিছে,
তাহানি অজানিতে
মিচিকিয়াই হাঁহিছিল
এটি মায়াৰ প্ৰেমত পৰি।
হাঁহিৰ মাজত থকা কৃত্ৰিমতাত
সোণৰ অলংকাৰ পৰিধান কৰা
নাটকৰ ভাৱৰীয়াৰ ৰহস্য
পোহৰলৈ অহাৰ খবৰ
গোপনে ৰখা হ'ল
জাল ফালিবলৈ নিগনিৰ নাটনি।
বিশ্বাসবোৰৰ জন্ম দিনৰ পৰা
হেৰাল আচল পৰিচয়
ঠিকনাৰ ঘাট হেৰাল
সেয়ে যতে ৰাতি ততে কাটি,
পিছে এতিয়া চৰি ফুৰে
মাজৰাতি আকাশৰ তৰা গণি গণি।
জীৱনৰ ভাটি বেলাত
নদীৰ ঘাট হেৰাল
ডুব যোৱা বেলিৰ ৰহণ
মিছাতে গাত সানি নিদিবা
সহিব নোৱাৰিম কিজানি
বিশ্বাসৰ ফুলনিত আৰু
গোলাপৰ পাহি নালাগে
কাঁইটৰ বিষ সহিব নোৱাৰিম এতিয়া।

## জোনাক আৰু জোনাকী

**প্ৰাণজিৎ দাস**, বজালী

তুমি জোনাক ভালপোৱা
মই এন্ধাৰৰ বুকুত
জ্বলি থকা জোনাকী পৰুৱা।

তোমাৰ আকাশত পোহৰ
মোৰ পৃথিৱীত সৰু এটি দ্বীপ -
তথাপিও দুয়োৰে সপোন
একে ৰাতিৰ।

ম'বাইল ঃ ৯৬৭৮৮-৮১২৬৮



## সমালোচনা

**শতাব্দী শৰ্মা**
আমোলাপট্টি, নগাঁও

মই বিৰক্ত হৈছোঁ
মানুহৰ সমালোচনাত।
কাৰোবাৰ ব্যক্তিত্বক লৈ সমালোচনা,
কাৰোবাৰ কাৰ্যক লৈ সমালোচনা।
অন্তহীন সমালোচনাই
মথিমূৰ কৰিছে জীৱন।
মানুহৰ আশা সমালোচনা,
মানুহৰ ভাষা সমালোচনা।
প্ৰতিটো পুৱাই সমালোচনা,
প্ৰতিটো নিশাই সমালোচনা,
নিবিচাৰিলেও অনৰ্গল,
মুক্ত পক্ষীৰ দৰে বিচৰণ এই সমালোচনাবোৰৰ...
সমালোচনা কিহৰ বাবে?
সমালোচনা কাৰ বাবে?
দুখতো চলে সমালোচনা,
সুখতো চলে সমালোচনা,
এইয়াইটো যুগ,
য'ত সমালোচনাবোৰে জাক পাতি
মানুহৰ মুখৰ পৰা বাগৰি কাণত সোমায়।

ম'বাইল ঃ ৬৯০১১-৫২৪২৯

## জীৱন মৰিচীকা

**পূৰৱী বৰুৱা ফুকন**
সোণাৰি, চৰাইদেউ

কেতিয়াবা জীৱনক মৰুভূমি যেন লাগে
মেঘৰ মোহনাত জিলিকি থকা
পানী পতাৰ এচলু সপোন
চুব খুজি হাত মেলিলেই আঁতৰি যায়
তথাপিও বাট বোলো সেই পথে
আশাৰ শেষ সীমালৈকে

কেতিয়াবা সুখ আহে মৰিচিকাৰ দৰে
ভাব হয় এইবাৰ বোধহয়
সকলো দুখৰ শেষ হ'ব
কিন্তু সময়ৰ বালিধুমুহাই
আকৌ ঢাকি দিয়ে সপোনৰ ঠিকনা

কেতিয়াবা দুখৰ উত্তাপত
শুকাই যায় হৃদয়ৰ নদীখন
তথাপিও বুকুৰ গভীৰতাত
সেউজীয়া বীজ এটা নীৰৱে জী থাকে

জীৱন হয়তো সঁচাই মৰিচিকা
নোপোৱা কিছুমান সপোনৰ নাম
তথাপিও নোপোৱাৰ মাজতেই
লুকাই থাকে বাট বোলাৰ গান
কাৰণ পানীৰ অবিহনে
থমকি নৰয় পথ

মৰিচিকা মিছা হ'লেও আকাশখন কিন্তু সঁচা
সেই আকাশৰ তলত আমি
বালিৰ খোজতো এটি সত্য বিচাৰি ফুৰোঁ
জীৱনক ভালপোৱাৰ
আৰু হেৰুৱাৰ শেষতো
পুনৰ ঠন ধৰি উঠাৰ।

## বৰষুণ ভালপোৱা ছোৱালীজনী

**হেৰম্ব নাথ**

বৰষুণ ভালপোৱা ছোৱালীজনী
আজি বৰষুণক বেয়া পোৱা হ'ল
বৰষুণৰ কি দোষ বাৰু
আচলতে, তাই বৰষুণত জিকিছিল
এদিন জিকিছিল সঁচাকৈয়ে;
সেইদিনা
ফুটপাথৰ ওপৰেৰে খোজকাঢ়ি থাকোঁতে
হঠাতে এজাক বৰষুণ দিছিল
আৰু তাই জিকিছিল
কিংকৰ্তব্যবিমূঢ় হৈ
ফাষ্ট ফুডৰ দোকান এখনৰ বাৰাণ্ডালৈ গৈছিল
বুকুত এসাগৰ ক্ষোভ আৰু খং লৈ

বৰষুণক তাই খিৰীকিৰে চাইছিল
হাতখন উলিয়াই টোপালবোৰ আলফুলে ধৰিছিল
উলাহতে সানি দিছিল দুগালত
বৰষুণ ভালপাওঁ তোমাক কিমান
বুকুত মৰম আছে যিমান
কিন্তু আজি বৰষুণক তাই গালি পাৰিলে
এখন গোমোঠা মুখেৰে
কিয়নো
বৰষুণে তাইক বিবস্ত্ৰা কৰিছিল
আৰু তেতিয়াই এংগল কৰিছিল
বেঁকা চাৱনিবোৰে

বৰষুণ ভালপোৱা ছোৱালীজনী
আজি বৰষুণক বেয়া পোৱা হ'ল।

# সুমথিৰা টেঙাৰ খেতিৰ সম্প্ৰসাৰণৰ লক্ষ্যৰে তিনিচুকীয়াত কৃষক কৰ্মশালা




**পংকজ নাথ, ষ্টাফ ৰিপৰ্টাৰ ঃ** তিনিচুকীয়া জিলাত সুমথিৰা টেঙাৰ বৈজ্ঞানিক খেতিৰ সম্প্ৰসাৰণ আৰু কৃষকৰ আয় বৃদ্ধিৰ লক্ষ্যৰে টেঙা আৰু ৰোপণ শস্য গৱেষণা কেন্দ্ৰ, তিনিচুকীয়াৰ ভাৰতীয় কৃষি গৱেষণা পৰিষদ (ICAR)-ৰ সৰ্বভাৰতীয় সমন্বিত কৃষি প্ৰকল্প (ফল) আঁচনিৰ উদ্যোগত ৩১ আগষ্ট সোমবাৰে ৩ নং আলুবাৰী গাঁৱত এখন কৃষক কৰ্মশালা আৰু উন্নত মানৰ সুমথিৰা টেঙাৰ পুলি বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত অঞ্চলটোৰ ৩০ গৰাকী অনুসূচীত জনজাতিৰ কৃষকক প্ৰত্যেককে ৪০টাকৈ উন্নত মানৰ সুমথিৰা টেঙাৰ পুলি প্ৰদান কৰা হয়। পুলি বিতৰণৰ জৰিয়তে কৃষকসকলক ব্যৱসায়িক ভিত্তিত সুমথিৰা টেঙাৰ বাগিচা স্থাপনৰ বাবে উৎসাহিত কৰাৰ লগতে উন্নত কৃষি প্ৰযুক্তি গ্ৰহণৰ প্ৰতি সজাগ কৰা হয়। অনুষ্ঠানত টেঙা আৰু ৰোপণ শস্য গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° ৰাজকুমাৰ কাকতিয়ে কয় যে তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা অঞ্চলত ইতিমধ্যে প্ৰায় তিনিৰ পৰা চাৰি হাজাৰ উন্নত মানৰ সুমথিৰা টেঙাৰ পুলি বিতৰণ কৰা হৈছে। জিলাখনৰ বিভিন্ন অঞ্চলত সুমথিৰা টেঙাৰ নতুন বাগিচা স্থাপনৰ জৰিয়তে কৃষকসকলৰ আয়ৰ নতুন উৎস সৃষ্টি কৰা আৰু তেওঁলোকক অধিক স্বাৱলম্বী কৰি তোলাই এই পদক্ষেপৰ মূল লক্ষ্য বুলি তেওঁ উল্লেখ কৰে। ইফালে, গৱেষণা কেন্দ্ৰৰ প্ৰধান বিজ্ঞানী ড° বিজিত কুমাৰ সাউদে সুমথিৰা টেঙাৰ আধুনিক আৰু বৈজ্ঞানিক কৃষি পদ্ধতিৰ ওপৰত কৃষকসকলক বিস্তৃত প্ৰশিক্ষণ প্ৰদান কৰে। মাটিৰ উপযুক্ত ব্যৱস্থাপনা, পুলি ৰোপণ, সাৰ প্ৰয়োগ, বাগিচা পৰিচৰ্যা আৰু উৎপাদন বৃদ্ধিৰ বিভিন্ন কৌশলৰ বিষয়ে তেওঁ কৃষকসকলক অৱগত কৰে। আনহাতে, গৱেষণা কেন্দ্ৰৰ বিজ্ঞানী ড° মনোজ গগৈয়ে সুমথিৰা টেঙাৰ বিভিন্ন ৰোগ আৰু কীট-পতংগৰ বিষয়ে বিতং আলোচনা কৰে। ৰোগ-কীটৰ আগতীয়া চিনাক্তকৰণ, সমন্বিত ৰোগ আৰু কীট-পতংগ ব্যৱস্থাপনা তথা বিজ্ঞানসন্মত নিয়ন্ত্ৰণ পদ্ধতি গ্ৰহণৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত মাৰ্ঘেৰিটা সমষ্টিৰ বিধায়কৰ প্ৰতিনিধি বিষ্ণু শৰ্মা, মণ্ডল সভাপতি সুমন খালিন, অনুসূচীত জনজাতিৰ সভাপতি অতুল দাস আৰু প্ৰাক্তন প্ৰধান শিক্ষক মহমদ ছেলিন উপস্থিত থাকি কৃষকসকলক উৎসাহিত কৰে। উল্লেখ্য যে, এই কৃষক কৰ্মশালা আৰু পুলি বিতৰণ কাৰ্যসূচীয়ে তিনিচুকীয়া জিলাত সুমথিৰা টেঙাৰ বৈজ্ঞানিক আৰু ব্যৱসায়িক খেতিৰ সম্প্ৰসাৰণৰ লগতে কৃষকৰ আয় বৃদ্ধি, ফলমূলভিত্তিক কৃষি অৰ্থনীতি শক্তিশালীকৰণ আৰু গ্ৰামাঞ্চলত কৃষিভিত্তিক স্বাৱলম্বিতা বৃদ্ধিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। ইয়াৰ লগতে পুলি বিতৰণ কাৰ্যসূচীত গৱেষণা কেন্দ্ৰ ৰ কৰ্মচাৰী সহস্ৰজিত বৰুৱা আৰু মুকুন্দ দাসে সহযোগ কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা

## বোকাখাতত বিধ্বংসী অগ্নিকাণ্ড ঃ কেইবাকোটি টকাৰ

জুই সম্প্ৰসাৰিত হৈ ৩০ টাতকৈ অধিক চিলিণ্ডাৰ প্ৰচণ্ড বিস্ফোৰণ হৈ ওচৰৰ এলেকা সমূহলৈ চিটিকি পৰাত এক আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। বোকাখাতত বিধ্বংসী অগ্নিকাণ্ডত বিশেষকৈ অগ্নিকাণ্ডত ফুটা ফটকা আৰু বিস্ফোৰিত হোৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ প্ৰচণ্ড শব্দত আতংকিত হৈ পৰে বোকাখাত নগৰবাসী। অগ্নিকাণ্ড সংঘটিত হোৱাৰ লগে লগে প্ৰশাসনৰ তৎপৰতাত বোকাখাত অগ্নি নিৰ্বাপক বাহিনীৰ লগতে গোলাঘাট, কলিয়াবৰ, নুমলীগড় শোধনাগাৰ, দেৰগাঁও আদিৰ পৰা কমপক্ষেও ১০খন অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আহি উপস্থিত হৈ অগ্নি নিৰ্বাপনৰ চেষ্টা চলায় যদিও চাৰি ঘন্টাৰো অধিক সময় ভয়াৱহ আৰু বিধ্বংসী অগ্নিকাণ্ড চলি থাকি সমগ্ৰ নগৰখনত আতংকময় পৰিস্থিতিৰ সৃষ্টি কৰে। আনহাতে অগ্নিকাণ্ড সংঘটিত হোৱাৰ লগে লগে প্ৰশাসনে বন্ধ কৰি দিয়ে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ। কিয়নো অগ্নিকাণ্ডৰ স্থান বোকাখাত নগৰৰ সোঁমাজেদি যোৱা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিতে। সেয়েহে ৰাষ্ট্ৰীয় ঘাইপথটো বন্ধ কৰি দিয়াৰ ফলত উজনি-নামনিৰ এই সংযোগী পথেৰে অহা যোৱা কৰা শ শ গাড়ী আৰু স্থানীয় গাড়ীৰে যান-জঁতৰ সৃষ্টি হয়। সমগ্ৰ অগ্নিকাণ্ডৰ সময়ছোৱাত বন্ধ হৈ থাকে বোকাখাত নগৰৰ সোঁমাজেদি যোৱা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটি। প্ৰশাসন, আৰক্ষী আৰু স্থানীয় ৰাইজৰ সহযোগত ৰাষ্ট্ৰীয় ঘাইপথৰ সলনি ভিতৰুৱা উপ পথেৰে ট্ৰাক, বাছ, ব্যক্তিগত যান-বাহন সমূহ পাৰ কৰোৱা হয়। অগ্নিকাণ্ড সংঘটিত হোৱাৰ লগে লগে উপস্থিত হয়হি বোকাখাত সমজিলা আয়ুক্ত সুজাতা গগৈৰ লগতে গোলাঘাট জিলাৰ আয়ুক্ত বিশ্বজিৎ ফুকন। অগ্নিকাণ্ডত প্ৰায় ৭ খন দোকান সম্পূৰ্ণ অথবা আংশিকভাৱে ক্ষতি হোৱাৰ লগতে ব্যক্তিগত ঘৰো অগ্নি বিধ্বস্ত হোৱা বুলি সাংবাদিকৰ আগত জানিবলৈ দিয়ে গোলাঘাট জিলাৰ আয়ুক্ত বিশ্বজিৎ ফুকনে। আনহাতে নগৰৰ মাজমজিয়াত বহুদিনৰ পৰাই এনেদৰে মজুত কৰি ৰখা অগ্নিকাণ্ডত বিস্ফোৰিত গেছ চিলিণ্ডাৰ সমূহৰ বিষয়ে সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত বোকাখাত সমজিলা আয়ুক্তৰ অধীনত ইয়াৰ বিভাগীয় তদন্ত হ'ব বুলি ঘোষণা কৰে গোলাঘাট জিলাৰ আয়ুক্তই। কেনেকৈ, কাৰ অনুমতিত এনেদৰে নগৰৰ মাজমজিয়াত বৃহৎসংখ্যক ৰন্ধন গেছৰ চিলিণ্ডাৰ, ফটকা-আটছবাজী মজুত কৰি ৰখাৰ দুঃসাহস কৰিছিল এই লৈও উত্থাপিত হৈছে প্ৰশ্নৰ। আনহাতে এনে দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত বোকাখাতৰ ব্যৱস্থাপনা যে পৰ্যাপ্ত নহয়, এই লৈও নগৰবাসীয়ে কৰিছে সন্দেহ। ইফালে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে কৰা অভিযোগ অনুসৰি এই দোকানখনত এনে বিস্ফোৰক সামগ্ৰী মজুত ৰখাৰ বিষয়ে পূৰ্বৰ পৰাই প্ৰশাসনক জনোৱা হৈছিল। গুৰুত্ব নিদিয়াৰ ফল আজি দেখিবলৈ পোৱা গ'ল। তাৎপৰ্যপূৰ্ণভাৱে এই দোকানখনত বিস্ফোৰক সামগ্ৰী মজুত ৰখাৰ অনুমতি কোনে দিছিলে, অনুমতি আছিল নে নাই এই বিষয়ে জিলা আয়ুক্ত, সমজিলা আয়ুক্ত, পৌৰপতি কাৰো হাততেই তথ্য নাই। জিলা উপায়ুক্ত গৰাকী ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় চক্ৰ বিষয়াৰ দ্বাৰা ক্ষয় ক্ষতিৰ সমীক্ষা চলাবলৈ দিছে। লক্ষণীয় দিশটো হ'ল বোকাখাত নগৰৰ সমূহ ব্যৱসায়িক প্ৰতিষ্ঠানৰ সাপ্তাহিক বন্ধৰ বাৰ। প্ৰায় কেইখন দোকানতে মানুহ নাছিল। অগ্নিকাণ্ডৰ খবৰ পাই ওচৰৰ পাজৰৰ ব্যৱসায়ীসকল আহি নিজৰ দোকানৰ সা-সৰঞ্জাম উলিয়াই আনি ৰাজপথত জমা কৰাও পৰিলক্ষিত হয়। অগ্নিকাণ্ডৰ ফলত সমগ্ৰ বোকাখাত অঞ্চলত বিদ্যুৎ সেৱা ব্যাহত হৈ থাকে যদিও বিয়লিৰ ভাগলৈ বিদ্যুতৰ স্বাভাৱিক সেৱা পুনৰ আৰম্ভ হয়। সন্ধিয়ালৈ জ্যেষ্ঠ কেবিনেট মন্ত্ৰী তথা স্থানীয় বিধায়ক অতুল বৰা গুৱাহাটীৰ আহি ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হৈ সংঘটিত অগ্নিকাণ্ডৰ বুজ লৈ এলেকাটো পৰিদৰ্শন কৰাৰ লগতে এনে এটি ঘটনাৰ দুখ প্ৰকাশ কৰে আৰু স্বত্বাধিকাৰৰ নিয়মমাফিক ক্ষতিপূৰণ দিয়া হ'ব বুলি জনায়। লগতে নগৰৰ সোঁমাজতে ইমান সংখ্যক ফটকা আৰু ৰন্ধন গেছৰ চিলিণ্ডাৰ মজুত কৰাক লৈ তদন্ত হ'ব বুলিও সাংবাদিকৰ আগত জানিবলৈ দিয়ে।

## মহিলাৰ সুৰক্ষাৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰতে এখন অদ্বিতীয় ৰাজ্যত পৰিণত হ'ব লাগিব ঃ মুখ্যমন্ত্ৰী

আৰক্ষী সেৱা সেতুৰ দৰে ডিজিটেল প্লেটফৰ্মৰ ব্যৱহাৰৰ উপৰি অস্ত্ৰ চালনা, ঘোঁৰা চালনাকে ধৰি বিভিন্ন প্ৰশিক্ষণো গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে যোগাযোগ শাখাৰ কনিষ্ঠবলসকলে হাউলীৰ দ্বিতীয় অসম আৰক্ষী বেটেলিয়ন আৰু ২৮ তম্ অসম আৰক্ষী বেটেলিয়নত সফলতাৰে বিশ সপ্তাহৰ বুনিয়াদী প্ৰশিক্ষণকালত আৰক্ষীৰ যোগাযোগ ব্যৱস্থা আধুনিক ডিজিটেল যোগাযোগ সঁজুলি আৰু চাইবাৰ নিৰাপত্তাৰ বিষয়ে বিশেষ প্ৰশিক্ষণ লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় 'মই নিশ্চিত যে লাচিত বৰফুকন পুলিচ একাডেমী আৰু বিভিন্ন স্থানত লাভ কৰা বিস্তৃত প্ৰশিক্ষণে আৰক্ষী বিষয়া আৰু জোৱানসকলক আধুনিক, প্ৰযুক্তিগতভাৱে সু-সজ্জিত, পেছাদাৰীভাৱে দক্ষ আৰু জনমুখী আৰক্ষী হিচাপে গঢ়ি তুলিছে, যিয়ে তেওঁলোকক আভ্যন্তৰীণ নিৰাপত্তাৰ সকলো প্ৰত্যাহ্বানৰ সৈতে সফলতাৰে মোকাবিলা কৰাত সহায় কৰিব। আমি মহাবীৰ লাচিত বৰফুকনৰ নামত উৎসৰ্গীত আৰক্ষী একাডেমীখন সকলো ফালৰে পৰা সু-সজ্জিত কৰাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিছোঁ আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত এই একাডেমীখনে গৌৰৱ অৰ্জন কৰিবলৈ সক্ষম হৈছে।' দেশৰ কেইবাখনো ৰাজ্যই নিজ নিজ আৰক্ষী বাহিনীক এই একাডেমীখনত প্ৰশিক্ষণ প্ৰদানৰ উদ্দেশ্যে অসম চৰকাৰৰ সৈতে যোগাযোগ কৰিছে বুলিও সদৰী কৰি তেওঁ কয় যে অসম আৰক্ষীৰ প্ৰয়োজনীয়তাৰ সৈতে সংগতি ৰাখি অসম চৰকাৰে দেশৰ আন ৰাজ্যসমূহৰ আৰক্ষী বাহিনীকো প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰিব যাতে এই একাডেমীখন কেৱল মাত্ৰ ৰাজ্যিক একাডেমীয়ে নহয়, ৰাষ্ট্ৰীয় স্তৰৰ এখন আৰক্ষী একাডেমী হিচাপে গৌৰৱ অৰ্জন কৰিব পাৰে। কিছুদিন পূৰ্বে শ্বিলঙত অৱস্থিত আছাম ৰেজিমেণ্টৰ প্ৰশিক্ষণ কেন্দ্ৰ ভ্ৰমণকালত প্ৰশিক্ষণ কেন্দ্ৰটোৰে আগবঢ়োৱা আধুনিক প্ৰশিক্ষণৰ বিষয়ে তেওঁ অৱগত হৈছিল বুলি ভাষণত উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষী সঞ্চালকপ্ৰধানক লাচিত বৰফুকন পুলিচ একাডেমীতো যাতে কমাণ্ডো প্ৰশিক্ষণৰ লগতে ভাৰতীয় সামৰিক সেৱাৰ অগ্নিবীৰৰ পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰিব পৰা যায় সেই উদ্দেশ্যে একাডেমীখন অধিক সু-সজ্জিত কৰিবলৈ পৰামৰ্শ প্ৰদান কৰে। তেওঁ লগতে কয় যে একাডেমীখনৰ নিৰন্তৰ বিকাশৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে আৰু বিভিন্ন ক্ৰীড়াৰ প্ৰশিক্ষণৰ উদ্দেশ্যেও প্ৰতিষ্ঠানখনৰ আন্তঃগাঁথনি উন্নীতকৰণৰ ব্যৱস্থা কৰা হৈছে। লাচিত বৰফুকন পুলিচ একাডেমীৰ পৰাই অসম আৰক্ষীৰ '১১২ সেৱা' আৰম্ভ কৰাৰ সিদ্ধান্ত ইতিমধ্যে গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আগন্তুক সময়ছোৱাত এই একাডেমীখন ভাৰতীয় সেনাৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সমপৰ্যায়ৰ এখন প্ৰতিষ্ঠান হিচাপে গঢ় লৈ উঠিব । মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে যে অসম আৰক্ষীত প্ৰতিবছৰে নতুন নতুন বিষয়া আৰু জোৱানক নিযুক্তি দিবলৈ ৰাজ্য চৰকাৰ সফল হৈছে। ইয়াৰ ফলত কোনো খালী পদ নথকা এটা আৰক্ষী বাহিনীলৈ অসম আৰক্ষী ৰূপান্তৰ হোৱাৰ দিশত আগবাঢ়িছে। মুখ্যমন্ত্ৰীয়ে কয় যে বিগত পাঁচ বছৰত অসম আৰক্ষীত প্ৰায় ২১ হাজাৰ নতুন বিষয়া তথা জোৱানক স্বচ্ছতাৰ ভিত্তিত নিযুক্তি দিয়া হৈছে আৰু এই নতুন নিযুক্তিয়ে আৰক্ষী বাহিনীটোক এটা যুৱ আৰক্ষী বাহিনীলৈ ৰূপান্তৰ কৰিছে। ৰাজ্যৰ শৃংখলিত আইন ব্যৱস্থাত বিগত পাঁচ বছৰত বাহিনীটোৱে গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াইছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয়- 'বিগত পাঁচটা বছৰ আছিল ৰাজ্যখনৰ শান্তি, প্ৰগতি আৰু বিকাশৰ পাঁচটা বছৰ। এই সময়ছোৱাত আমি শান্তি-প্ৰগতিৰ এক নতুন দিগন্ত স্পৰ্শ কৰিবলৈ সক্ষম হৈছিলোঁ। অসম আৰক্ষীৰ প্ৰচেষ্টাত আমাৰ ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতি দেশৰ আন ৰাজ্যৰ তুলনাত যথেষ্ট উন্নত হ'বলৈ সক্ষম হৈছে। উগ্ৰপন্থীৰ বিৰুদ্ধে যুঁজ কৰা এটা আৰক্ষী বাহিনীৰ পৰিৱৰ্তে যোৱা পাঁচটা বছৰত আইন-শৃংখলা ৰক্ষা, অপৰাধ নিয়ন্ত্ৰণ আৰু চাইবাৰ অপৰাধ ৰোধ আদিৰ দৰে ব্যৱস্থা ল'বলৈ অসম আৰক্ষী সমৰ্থ হৈছে।' বৰ্তমানৰ ৰাজ্য চৰকাৰে আগন্তুক পাঁচ বছৰৰ ভিতৰত দুই লাখ যুৱক-যুৱতীক চৰকাৰী পদত নিযুক্তি দিয়াৰ পদক্ষেপ গ্ৰহণ কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ আধাৰতে অসম আৰক্ষীতো ১৫-২০ হাজাৰ যুৱক-যুৱতীয়ে নিযুক্তি লাভ কৰিব। তেওঁ লগতে কয় যে আৰক্ষী সেৱা হৈছে সাহস, ত্যাগ আৰু সমৰ্পণৰ প্ৰতীক। ইয়াৰ পৰিপ্ৰেক্ষিততে মুখ্যমন্ত্ৰীয়ে দীক্ষান্ত সমাৰোহত উপস্থিত থকা বিষয়া তথা জোৱানসকলক তেওঁলোকৰ পৰা সমাজ, চৰকাৰ আৰু পৰিয়ালে যিবোৰ প্ৰত্যাশা কৰিছে সেইসমূহ পূৰণ কৰিবলৈ পেছাদাৰী উৎকৰ্ষতা আৰু সততাৰ সৰ্বোচ্চ মানদণ্ড বজাই ৰাখিবলৈ আহ্বান জনায়। তেওঁলোকে দায়িত্ব পালনৰ সময়ত সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ মাজত সাহস, দৃঢ়তা, নিষ্ঠা, সততা, প্ৰতিশ্ৰুতি আৰু দায়বদ্ধতাৰে সমাজৰ প্ৰতি সেৱা আগবঢ়াই যাব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে ম্যানমাৰ, বাংলাদেশ আদিৰ দৰে ৰাষ্ট্ৰৰ সৈতে অসমৰ সীমা সংলগ্ন হৈ আছে। ইয়াৰ ফলত ৰাজ্যখনে আইন-শৃংখলাৰ নিৰন্তৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈ থাকিব লাগিব। অসমত অপৰাধ নিয়ন্ত্ৰণৰ উপৰি অৰ্থনৈতিক অপৰাধ আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দি নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাও অসম আৰক্ষীয়ে সুনিশ্চিত কৰিব লাগিব।

## দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক দীনেশ্বৰ শৰ্মাৰ মৃত্যু, অঞ্চলটোত শোকৰ ছাঁ



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** কুলহাটী গাঁৱৰ নিজ বাসগৃহত দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক শ্ৰী দীনেশ্বৰ শৰ্মাৰ ৩০ আগষ্টত ৮৫ বছৰ বয়সত মৃত্যু হয়। তেখেত জীৱিত কালত কুলহাটী গাঁও তথা দমদমা অঞ্চলৰ বিভিন্ন সামাজিক, শৈক্ষিক আৰু সাহিত্য সংগঠনৰ লগত জড়িত আছিল। কুলহাটী গাঁও উন্নয়ন সমিতিৰ একালৰ সভাপতি হোৱাৰ উপৰিও দমদমা সাহিত্য সভাৰো এটা কাৰ্য বৰ্ষৰ সভাপতি আছিল। তেখেতে নিজ সাহিত্য প্ৰতিভাৰে ৭ খনকৈ গ্ৰন্থ ৰচনা কৰিছিল আৰু অসম চৰকাৰৰ পৰা সাহিত্য বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ মৃত্যুত দমদমা সাহিত্য সভা, পি এম শ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়, দমদমা আঞ্চলিক ছাত্ৰ সন্থা আৰু কুলহাটী গাঁও উন্নয়ন সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেখেতে তিনিগৰাকী পুত্ৰ, বোৱাৰী, নাতি-নাতিনী আৰু আপোন ভাই-ককাইৰ পৰিয়াল বৰ্গক ইহ সংসাৰত এৰি থৈ যায়।

## শিৱসাগৰ, নাজিৰা আৰু মৰিয়নি সমষ্টিত 'সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসম'ৰ বান সাহায্য বিতৰণ



**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ ঃ** 'সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসম'ৰ তৰফৰ পৰা পুনৰ চলোৱা হয়, বানাক্ৰান্ত ৰাইজক সাহায্য সামগ্ৰী বিতৰণ কাৰ্যসূচী। সেৱাই পৰম ধৰ্ম। সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসমৰ সৌজন্যত, দীনেশ সাহৰা ফাউণ্ডেশ্যনৰ তত্বাৱধানত আৰু সামাজিক-সাংস্কৃতিক অনুষ্ঠান সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ সহযোগত অব্যাহত থকা বানাক্ৰান্ত ৰাইজক সেৱা কাৰ্যসূচীৰ অংশস্বৰূপে যোৱা ২৬, ২৭ আৰু ২৮ আগষ্টত তিনিদিনীয়াকৈ আন এক বিশেষ সাহায্য অভিযান চলোৱা হয়। বানপানীৰ পিছত বানাক্ৰান্ত ৰাইজৰ মাজত উদ্ভৱ হোৱা প্ৰয়োজনীয় সামগ্ৰীৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি আৰম্ভ কৰা এই অভিযানত চন্টকৰ চেতিয়া সন্দিকৈ গাঁও, শিমলুগুৰিৰ ৰামুগাওঁ, জাঁজী ধনতুলা (বৰ্তমান মৰিয়নি সমষ্টি), দিখৌমুখ, শিৱসাগৰ নগৰৰ বংশীধৰ গগৈ পথ আদি বানাক্ৰান্ত অঞ্চলৰ প্ৰায় ১২০ টা পৰিয়াললৈ কিঞ্চিত সহায়ৰ হাত আগবঢ়োৱা হয়। উল্লেখযোগ্য যে, সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসম, কেন্দ্ৰীয় সমিতিৰ সভাপতি ক্ষীৰোদ কুমাৰ বৰদলৈ আৰু মুখ্য সম্পাদক অমৃত কুমাৰ শৰ্মাৰ নেতৃত্বত ৰাইজৰ মাজত সৰ্বমুঠ ১ লাখ ৫৪ হাজাৰ ৭৭৪ টকাৰ গাদী, গাৰু, বিচনা চাদৰ, পাটী, চয়াবিনৰ পেকেট আদিৰ উপৰিও কীৰ্তন নামঘোষা বিতৰণ কৰা হয়।

## কামৰূপ জিলা স্বাস্থ্য সমিতিৰ পৰ্যালোচনা সভা অনুষ্ঠিত

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** কামৰূপ জিলা স্বাস্থ্য সমিতিৰ এখন বিস্তৃত পৰ্যালোচনা সভা ২৯ আগষ্টত আমিনগাঁওস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য আছিল জিলাখনৰ স্বাস্থ্য সেৱা ব্যৱস্থাৰ সামগ্ৰিক পৰিস্থিতি পৰ্যালোচনা কৰাৰ লগতে জনসাধাৰণৰ বাবে স্বাস্থ্য সেৱাৰ সুলভতা আৰু গুণগত মান অধিক শক্তিশালী কৰা। সভাত জিলা আয়ুক্তগৰাকীয়ে কামৰূপ জিলাত ৰূপায়িত হৈ থকা বিভিন্ন স্বাস্থ্য সেৱা আৰু কাৰ্যসূচীৰ অগ্ৰগতিৰ বিষয়ে পৰ্যালোচনা কৰে। বিশেষকৈ স্বাস্থ্য সেৱা প্ৰদান, জনসাধাৰণৰ বাবে সেৱাৰ সুলভতা আৰু তৃণমূল পৰ্যায়ত বিভিন্ন স্বাস্থ্য কাৰ্যসূচীৰ ফলপ্ৰসূ ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে স্বাস্থ্য বিভাগে সেৱা প্ৰদানৰ ক্ষেত্ৰত সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বান আৰু সমস্যাৰ বিষয়ে বুজ লয় আৰু এই ক্ষেত্ৰত থকা প্ৰত্যাহ্বানসমূহ দূৰ কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক সমন্বিত আৰু সময়োচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে।

# অসম সাহিত্য সভাৰ উদ্যোগত লিডুত অসম জনগোষ্ঠীয় সমন্বয় সন্মিলনৰ সফল সামৰণি



**লিডুৰ পৰা ৰমেন ভৰালী ঃ** 'অসম সাহিত্য সভাই অসমীয়া জাতিটো একত্ৰিত কৰিবলৈ অপ্ৰাণ চেষ্টা কৰিছে। অসমৰ অৰঙে দৰঙে থকা সকলো জনগোষ্ঠীক নিমন্ত্ৰণ কৰি আনি লিডুত ঐক্যবদ্ধ কৰিবলৈ যি প্ৰচেষ্টা চলাইছে সেয়া অতি প্ৰশংসনীয়। আমি সাহিত্য সভাৰ এই প্ৰচেষ্টাৰ লগত আমাৰ সহযোগিতা সদায় থাকিব।' যোৱা ৩০ আগষ্টত অসম সাহিত্য সভাৰ উদ্যোগত স্বজাতীয় মৈত্ৰীবন্ধন উপ-সমিতি আৰু তিনিচুকীয়া জিলা সাহিত্য সভাৰ সহযোগত লিডু শাখা সাহিত্য সভাৰ ব্যৱস্থাপনাত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে লিডু ৰে'লৰে ৰংগমঞ্চত অনুষ্ঠিত ৩০ আগষ্টৰ দ্বিতীয় দিনৰ মুকলি অধিৱেশনত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি বড়ো সাহিত্য সভাৰ সভাপতি গোপীনাথ বৰগয়াৰীয়ে এইদৰে কয়। ভাষণ প্ৰসংগত বৰগয়াৰীয়ে লগতে কয় -অসমৰ জাতি-জনগোষ্ঠীৰ লোকসকল একেটা মঞ্চত সমৱেত হোৱাৰ সৌভাগ্য হ'ল আজিৰ পৰা জাতি গঠন প্ৰক্ৰিয়া ত্বৰান্বিত কৰিব লাগিব। আদৰণী সমিতিৰ মুখ্য সাধাৰণ সম্পাদক ৰাণাজ্যোতি নেওগ আৰু সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপসমিতিৰ কাৰ্যকৰী সভাপতি বিপুল শৰ্মা বৰুৱাই আদৰণী ভাষণ দিয়া অনুষ্ঠানত সভাৰ প্ৰধানসম্পাদক দেৱজিৎ বৰাই উদ্দেশ্য ব্যাখ্যা কৰি কয়- 'ঐক্য, শান্তি আৰু সমন্বয়ৰ সংকল্পৰে আয়োজন কৰা অসমৰ জনগোষ্ঠীয় সমন্বয় সন্মিলনে অসমৰ সাতামপুৰুষীয়া সম্প্ৰীতি আৰু সমন্বয়ৰ স্বাক্ষৰ বহন কৰিবলৈ সক্ষম হৈছে।' অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক ৰমেন ভৰালীয়ে আঁত ধৰা অনুষ্ঠানত দ্বিতীয় দিনা অৰ্থাৎ ৩০ আগষ্টত পুৱা ১০ বজাত বিশেষ আকৰ্ষণ ঈশ্বৰ পুত্ৰ জুবিন গাৰ্গৰ সহধৰ্মিনী গৰিমা শইকীয়া গাৰ্গৰ সৈতে মত বিনিময় অনুষ্ঠান আৰু ১০০০ শিশু-কিশোৰে সমৱেতভাৱে 'মায়াবিনী' পৰিৱেশনৰে জুবিন গাৰ্গলৈ বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান কৰে। পুৱা ১১ বজাত অসম সাহিত্য সভাৰ সভাপতি তথা জনগোষ্ঠীয় সাহিত্য সভা আৰু জাতীয় সংগঠনসমূহৰ সভাপতিসকলক লৈ এক বিশাল বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে মটক সাহিত্য সন্মিলনৰ সভাপতি তৰুণ কুমাৰ গগৈয়ে। দুপৰীয়া ১২ বজাত অসম জনগোষ্ঠীয় সমন্বয় সন্মিলনত সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামীয়ে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ উপসভাপতি পদুম ৰাজখোৱা, স্মৃতিগ্ৰন্থ 'লিডু' উন্মোচন কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াই। অসম জনগোষ্ঠীয় সমন্বয় সন্মিলনত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে- দেউৰী সাহিত্য সভাৰ সভাপতি বগাৰাম দেউৰী, কাৰবি সাহিত্য সভাৰ সভাপতি খৰসিং ইংতি, চৰ-চাপৰি সাহিত্য সভাৰ সভাপতি ড° হাফিজ আহমেদ, চিংফৌ জাতীয় পৰিষদৰ সভাপতি চেংগ্ৰাম লাব্ৰাম, চেমা জাতীয় পৰিষদৰ সভাপতি কহেত' চেমা, টাংচা জাতীয় পৰিষদৰ সভাপতি নং যুংকুক, টাই-ফাকে জাতীয় পৰিষদৰ সভাপতি চাই উইং চাখাপ, টাই খাময়াং জাতীয় পৰিষদৰ সভাপতি ভূগেশ্বৰ থৌমুং, চুতীয়া সাহিত্য সন্মিলনৰ সভাপতি ৰাজীৱ বৰুৱা, মেছ-কছাৰী সাহিত্য সভাৰ সভাপতি দুলাল মেছ, ঠেঙাল কছাৰী, সাহিত্য সভাৰ সভাপতি দ্বীপেন বৰা, শৰণীয়া কছাৰী সাহিত্য সভাৰ সভাপতি সোণবৰ বৰুৱা, ঠেঙাল কছাৰী সাহিত্য সংস্কৃতি সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়া, নিখিল বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য সভাৰ সভাপতি দিলছ লক্ষীন্দৰ সিংহ, গৰিয়া-মৰিয়া-দেশী-চৈয়দ-জলহা (চাহ জনগোষ্ঠী) জনগোষ্ঠীয় ঐক্যমঞ্চ, অসমৰ মুখ্য সমন্বয়ক নুৰুল হক উপস্থিত থাকে।

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ঘগ্ৰাপাৰ শিক্ষাখণ্ডৰ শিক্ষক-কৰ্মচাৰীৰ ১.৯৭ লাখ টকা প্ৰদান



**মমতাজ আহমেদ, ঘগ্ৰাপাৰ ঃ** ৰাজ্যখনত বানপানী আৰু প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্থ লোকসকলৰ সাহায্যাৰ্থে নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ লগতে শিক্ষাখণ্ডটোৰ বিষয়া-কৰ্মচাৰী সকলে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১,৯৭,০০০ টকাৰ বৰঙণি আগবঢ়ায়। শিক্ষাখণ্ডটোৰ অন্তৰ্গত নিম্ন প্ৰাথমিক আৰু উচ্চপ্ৰাথমিক বিদ্যালয়সমূহৰ শিক্ষক-কৰ্মচাৰীৰ লগতে শিক্ষাখণ্ডটোত বিষয়া-কৰ্মচাৰীসকলে স্বেচ্ছাই আগবঢ়োৱা ধনৰাশি শিক্ষা বিষয়া সমীন বৈশ্যৰ নেতৃত্বত যোৱা এটা প্ৰতিনিধি দলে মুখ্যমন্ত্ৰীৰ হাতত অৰ্পণ কৰে। উক্ত দলটোত নলবাৰী জিলা মজলীয়া শিক্ষক সংস্থাৰ উপ-সভাপতি চক্ৰেশ্বৰ কলিতা, মধ্য ইংৰাজী শিক্ষক সংস্থাৰ কালিচৰণ হালৈ, প্ৰাথমিক শিক্ষক সন্মিলনীৰ সুনীল বড়ো, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ কৰ্মচাৰী তথা ব্লক এম আই এছ কোঅৰ্ডিনেটৰ সুশান্তমল্ল বৰুৱা আদি উপস্থিত থাকে।




# নগাঁও জিলা পুথিভঁৰালত 'বাক-অবাক' মঞ্চস্থ



**চন্দন শৰ্মা, তেজপুৰ ঃ** সাংস্কৃতিক সংস্থা অবিনশ্বৰ গোষ্ঠীৰ নিবেদনত ৰজ্জআগষ্টত সন্ধিয়া ৭ বজাত নগাঁৱৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত মঞ্চস্থ কৰা হয় এক বিশেষ নাট্য প্ৰদৰ্শনীত এখনি বিশেষ নাট 'বাক-অবাক'। বিশিষ্ট নাট্যকাৰ নৰেন পাটগিৰিৰ ৰচনাৰে প্ৰস্তুত কৰা এই নাটকখনৰ পৰিকল্পনা আৰু পৰিচালনা কৰিছে নাট্যকৰ্মী দীপক বৰাই। অসমীয়া গ্ৰাম্য সমাজত প্ৰচলিত মাছলোভী অপদেৱতা 'বাক' ক কেন্দ্ৰ কৰি ৰচিত এই নাটকখনত হাস্যৰস আৰু ব্যংগৰ মাধ্যমেৰে এক বিশেষ সামাজিক বাৰ্তা দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। একপ্ৰকাৰ কাল্পনিক পৰিৱেশৰ সৃষ্টি কৰি নাটকখনত দেখুওৱা হৈছে মানুহৰ লোভ, ভয় আৰু ভণ্ডামি দেখি অৱশেষত খোদ 'বাক' নিজেই কেনেদৰে 'অবাক' হৈ পৰে। নাটকখনৰ পৰিচালকৰ মতে আমি লোককথাৰ ভৌতিক ধাৰণাক কেৱল ভয়ৰ মাধ্যম হিচাপে নকৰি আধুনিক দৃষ্টিভংগীৰে হাস্যৰসৰ ৰূপত উপস্থাপন কৰাৰ। বৰ্তমান সময়ত মানুহৰ ভিতৰৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰবোৰেই আচল ভয়ৰ কাৰণ, তাকেই নাটকখনত ফুটাই তোলা হৈছে। উক্ত নাটখনত 'বাকেশ্বৰী' মুখ্য চৰিত্ৰটি ৰূপায়ণ কৰিছে নগাঁৱৰে এগৰাকী উদীয়মান অভিনেত্ৰী সম্প্ৰীতি শিৰমে। নাটখন মঞ্চস্থ হৈ থকাৰ সময়ত অভিনেত্ৰী গৰাকী এটা অবাঞ্চিত দুৰ্ঘটনাৰ সন্মুখীন হৈ বাওঁভৰিখন যথেষ্ট আঘাতপ্ৰাপ্ত হয় যদিও হাৰ নামনি চকুত পানী লৈ বেদনা আৰু কুপিত ভৰিখনৰ যন্ত্ৰণা আওকাণ কৰি তেওঁ পুনৰ চৰিত্ৰত প্ৰৱেশ কৰিলে আৰু নিজৰ অদম্য ইচ্ছাশক্তিৰ বলত নাটখন সফলভাৱে শেষ কৰি দেখুৱালে। এই ঘটনাই তেওঁৰ অভিনয়ৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱা আৰু দায়িত্ববোধৰ এক উদাহৰণ দাঙি ধৰিলে আৰু আন চৰিত্ৰ সমূহত দেখা গৈছে বহুকেইগৰাকী প্ৰতিভাসম্পন্ন শিল্পী কলা-কুশলীক। আনহাতে ভিন্ন ঠাইৰ পৰা আহি লোকে-লোকাৰণ্য হৈ পৰা দৰ্শকে নাটখন সৰ্বাংগসুন্দৰ হোৱা বুলি জানিবলৈ দিয়ে।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.in/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা